DailyAssam.Com

চতুৰ্দশ
বিষয়বস্তু

# বিভাজনবোধ



চিত্ৰ ১৪.১
লাখ লাখ মানুহক উচ্ছেদ কৰি শৰণাৰ্থী সজালে আৰু নতুন ঠাইত সংগ্ৰাম কৰি জীয়াই থাকিবলৈ বাধ্য কৰালে।

আমি জানিছো যে উপনিবেশবাদী শাসনৰ কবলৰ পৰা ১৯৪৭ চনত আমাৰ দেশে স্বাধীনতা লাভ কৰিলে, কিন্তু বিভাজনৰ হিংসা আৰু নিষ্ঠুৰতাই সেই আনন্দ কলঙ্কিত কৰি পেলাইছিল। বৃটিছ ভাৰত দ্বিখণ্ডিত হৈ গঠন হোৱা ভাৰত সাৰ্বভৌম ৰাষ্ট্ৰ আৰু পাকিস্থানলৈ (ইয়াৰ পশ্চিম আৰু পূব অংশৰ সৈতে) হঠাৎ বহুত পৰিৱৰ্ত্তন আহিল। হাজাৰ-হাজাৰ মানুহৰ প্ৰাণ নাশ হ'ল, বহুতৰ জীৱনলৈ নাটকীয় পৰিৱৰ্ত্তন নামি আহিল, চহৰবোৰ সলনি হ'ল, ভাৰতখনেই সলনি হৈ গ'ল, এখন নতুন দেশ জন্ম হ'ল আৰু ইয়াৰ আগেয়ে কাহানিও নোহোৱা-নোপোজা হিংসা, জাতি হত্যা আৰু ভগন আদি ঘটনাবোৰ ঘটিবলৈ ধৰিলে।

এই অধ্যায়টোত বিভাজনৰ ইতিহাস পৰীক্ষা কৰা হ'ব; এ বিভাজন কেনেকৈ আৰু কিয় ঘটিবলৈ পালে, লগতে ১৯৪৬-৫০ চন আৰু তাৰ পিছতো সাধাৰণ মানুহৰ হৃদয়বিদাৰক

DailyAssam.Com

অভিজ্ঞতাৰ বিষয়েও আলোচনা কৰা হ'ব। মৌখিক বুৰঞ্জীৰ জৰিয়তে মানুহক সুধি-পুছি আৰু সাক্ষাৎকাৰ গ্ৰহণ কৰি বিভাজনৰ অভিজ্ঞতা কেনেদৰে সংগ্ৰহ কৰা হৈছে ইয়াত সেইখিনি আলোচনা কৰা হ'ব। একেলগতে ই মৌখিক বুৰঞ্জী (Oral History) ৰ ব্যাপকতা আৰু সীমাবদ্ধতাৰ বিষয়েও আলোকপাত কৰিব। অতীতৰ সমাজৰ কিছুমান দিশৰ কথা আমি সাক্ষাৎকাৰৰ পৰা জানিব পাৰো, যিবিলাক আন সমলৰ পৰা খুব কমকৈ অথবা একেবাৰেই জানিব পৰা নাযায়। কিন্তু এইবিলাকে বহুতো বিষয়ত বহুত কথা প্ৰকাশ কৰিব নোৱাৰিব পাৰে তেনে অৱস্থাত আমি আন আন তথ্যৰ সহায়েৰে তৈয়াৰ কৰিব লাগিব। এই অধ্যায়ৰ শেষৰ ফালে আমি পুনৰ এই বিষয়টোলৈ ঘূৰি আহিম।



চিত্ৰ,১৪.২

ছবিখনে সেইসময়ত সংঘটিত হিংসাত্মক ঘটনা প্ৰতিফলিত কৰিছে।

## ১. বিভাজনৰ কিছুমান অভিজ্ঞতা

ইয়াত তিনিটা ঘটনাৰ বিষয়ে সেই দুৰ্যোগৰ সময়ৰ তিনিজন ভুক্তভোগীয়ে ১৯৯৩ চনত এজন গৱেষকক বিৱৰি কৈছিল। বৰ্ণনাকাৰীসকল পাকিস্থানী আছিল আৰু গৱেষকজন ভাৰতীয় লোক আছিল। গৱেষকজনৰ উদ্দেশ্য আছিল কেনেকৈ বংশানুক্ৰমে কম-বেছি পৰিমাণে ঐক্যতাৰে বাস কৰি অহা লোকসকলে ১৯৪৭ চনত এজনে আনজনক প্ৰবল হিংসাত ব্ৰতী হৈ আঘাত কৰিছিল সেইটো উপলব্ধি কৰা।

**উৎস -১**

### "মই মাথোন মোৰ দেউতাৰ ঋণ (Karz) তেওঁৰ ধাৰ পৰিশোধ কৰিছো"

গৱেষকে এইদৰে লিপিবদ্ধ কৰিছে। —

১৯৯২ চনৰ শীত কালত গৱেষণাৰ কামত মই লাহোৰত থকা পাঞ্জাব বিশ্ববিদ্যালয়ৰ বুৰঞ্জী বিভাগৰ পুথিভঁড়ালটোলৈ গৈছিলো। পুথিভঁড়ালৰ গ্ৰন্থাগাৰিক আব্দল লতিফ এজন আদবয়সৰ ধৰ্মপৰায়ণ লোক আছিল আৰু মোক কামত ভালেখিনি সহায়-সহযোগ আগবঢ়াইছিল। তেওঁ কৰ্ত্তব্য সময়ৰ বাহিৰত থাকিও মোৰ গৱেষণা সম্বন্ধীয় প্ৰকৃত তথ্যপাতি সংগ্ৰহ কৰি আৰু দৰকাৰ হ'লে মোৰ অনুৰোধক্ৰমে সেইবিলাকৰ ফটোকপিও কৰি ৰাখিছিল। পিছদিনা ৰাতিপুৱা মই গ্ৰন্থাগাৰত উপস্থিত হোৱাৰ আগেয়ে তেওঁ এইবিলাক কাম কৰি থৈছিল। তেওঁ মোৰ প্ৰতি দেখুওৱা অসাধাৰণ সহায়ৰ শলাগ লৈ এদিন মই তেওঁক সুধিছিলো "লতিফ চাহাব, আপুনি কিয় চাকৰিৰ দায়িত্বৰ সীমা পাৰ হৈও মোক ইমান সহায় কৰিছে?" লতিফ চাহাবে হাতত পিন্ধি থকা ঘড়ীটোলৈ এবাৰ চালে আৰু নামাজ পঢ়া টুপীটো উলিয়াই কৈছিল — "মই এতিয়া নামাজৰ কাৰণে যাবই লাগিব, কিন্তু ঘূৰি আহিহে মই তোমাৰ প্ৰশ্নটোৰ উত্তৰ দিম।" আধাঘণ্টাৰ পাছত অফিচলৈ ঘূৰি আহি তেওঁ মোক কৈ গ'ল...

বাৰু, তোমাৰ প্ৰশ্নটো ... মোৰ দেউতা জম্মু জিলাৰ এখনসৰু গাঁৱৰ বাসিন্দা আছিল। গাঁওখন হিন্দুৰ শাসনত আছিল আৰু ১৯৪৭ চনৰ আগষ্ট মাহত সেই অঞ্চলৰ হিন্দু অশান্তিপ্ৰিয় দুৰ্দান্ত মানুহবোৰে মুছলীম অধ্যুসিত সৰু গাঁওবিলাকত হত্যালীলা চলালে। এদিন আবেলিৰ শেষসময়ত হিন্দু হিংস্ৰবাহিনীয়ে সংঘটিত কৰা হত্যাকাণ্ডৰ পিছত মোৰ দেউতাই আৱিষ্কাৰ কৰিলে যে তেঁৱেই গাঁওখনত একমাত্ৰ জীৱিত যুৱক, ইতিমধ্যে হত্যাকাণ্ডত তেওঁৰ পৰিয়ালৰ সকলো লোকে

DailyAssam.Com



প্ৰাণ হেৰুৱালে আৰু তেওঁ পলাই সাৰিবৰ কাৰণে ৰাস্তা বিচাৰি আছিল। অকণমান সময় ভাবি তেওঁ ওচৰ-চুবুৰীয়া এগৰাকী বয়সস্থ হিন্দু মহিলাক জীৱনটো বচাবৰ বাবে আশ্ৰয় বিচাৰি কাকুতি কৰিবলৈ ধৰিলে। মহিলাগৰাকীয়ে দেউতাক সহায় কৰিবলৈ সন্মতি প্ৰকাশ কৰিলে, কিন্তু ক'লে "বোপা যদিহে তুমি এই ঠাইত লুকাই থাকা, তেন্তে সিহঁতে আমাক দুয়োকে ধৰিব। এইদৰে থাকিলে একো কাম নহ'ব। সিহঁতে হত্যা কৰি মৰাশবোৰ দমাই থোৱা ঠাইলৈ তুমি মোৰ পিছে পিছে আহা; তুমি মৰা মানুহৰ দৰে মাটিত শুই পৰা আৰু মই কিছুমান মৰাশ তোমাৰ ওপৰত জাপি দিও বোপা। গোটেই ৰাতি তুমি মৰাশ বিলাকৰ মাজত মৰা মানুহৰ দৰেই পৰি থাকিবা আৰু কালিলৈ দোকমোকালিতে জীৱন বচাবলৈ শিয়ালকোটৰ পিনে তুমি দৌৰি পলাবা।"

মহিলাৰ প্ৰস্তাৱত দেউতা মান্তি হ'ল। দুয়ো সেই ঠাইখিনিত উপস্থিত হোৱাৰ পিছত দেউতা মাটিত শুই পৰিল আৰু বুঢ়ী মানুহগৰাকীয়ে কেইটামান মৰাশ তেওঁ গাৰ ওপৰত জাপি দিলে। ঠিক এঘণ্টা মানৰ পিছতে অস্ত্ৰ-শস্ত্ৰৰে সজ্জিত এটা হিন্দু গুণ্ডা দল আহি উপস্থিত হ'ল। সিহঁতৰ মাজৰে এটাই চিঞৰিলে -"কোনোবা মানুহ জীয়াই আছেনে?" আৰু বাকীবোৰে অপৰিষ্কাৰ লাঠী আৰু বন্দুকেৰে জীয়া মানুহ বিচাৰি মৰাশ দমবোৰ খুচৰিবলৈ ধৰিলে। কোনোবা এটাই চিঞৰিলে —"সেই মৰাশটোৰ হাতত এটা ঘড়ী আছে।" আৰু লগে লগেই বন্দুকৰ মূৰটোৰে মোৰ দেউতাৰ হাতত জোৰেৰে খুন্দা মাৰিবলৈ ধৰিলে। দেউতাই আমাক কৈছিল -কেনেকৈ হাতৰ তলুৱাখন মেলিধৰি তেওঁ বৰ কষ্টেৰে পিন্ধি থকা ঘড়ীটো লুকুৱাবলৈ চেষ্টা কৰাতো কিমান কঠিন কাম (তেওঁৰ বাবে) হৈ পৰিছিল। এটাই যেতিয়া আটাহ পাৰি কৈছিল "এইটো এটা সৰু হাত ঘড়ীহে।" তেতিয়াহে কিবা প্ৰকাৰে দেউতা বাচি গৈছিল। "আহা আমি এই ঠাই পৰিত্যাগ কৰো, আন্ধাৰ হৈ আহিছে।" দেউতাৰ কাৰণে সৌভাগ্য যে সিহঁত গুছি গৈছিল আৰু দেউতা গোটেই নিশাটো সেই দুৰ্দশাগ্ৰস্ত অৱস্থাতে পৰি থাকিল, কাহিলীপুৱাতে তেওঁ জীৱন ৰক্ষাৰ বাবে দৌৰিবলৈ ধৰিলে। শিয়ালকোট নোপোৱালৈকে তেওঁ দৌৰিয়েই থাকিল।

"সেই হিন্দু মাই গৰাকীয়ে মোৰ দেউতাক সহায় কৰা বাবে মই তোমাক সহায় কৰিছো। অতি সৰলভাৱে মই মোৰ দেউতাৰ ধাৰ-ঋণ পৰিশোধ কৰিছো।"

"কিন্তু মই হিন্দু নহওঁ; মই কৈছিলো, মই শিখ সম্প্ৰদায়ৰ। দৰাচলতে এজন মিশ্ৰিত হিন্দু-শিখ।"

"তুমি কোন ধৰ্মৰ মই নিশ্চিতকৈ নাজানো। তোমাৰ দীঘল চুলিও নাই আৰু তুমি মুছলীমো নোহোৱা। সেইকাৰণে তুমি মোৰ বাবে হিন্দু আৰু সেই ভাবিয়েই তোমাৰ কাৰণে মই এইখিনি কৰিছো। কাৰণ মোৰ দেউতাক এগৰাকী হিন্দু মায়ে ৰক্ষা কৰিছিল।"

**উৎস ২**

## "এতিয়াৰ পৰা কেইটামান বছৰ মই এজনো পাঞ্জাবী মুছলমানক লগ পোৱা নাই।"

গৱেষকজনৰ দ্বিতীয়টো কাহিনী লাহোৰৰ এটা যুৱ হোষ্টেলৰ মেনেজাৰৰ।

হোষ্টেলটোলৈ থকাৰ বন্দবস্ত কৰিবলৈ মই গৈছিলো আৰু লগে লগে মোৰ নাগৰিকত্বৰ কথাও জনাইছিলো। তুমি এজন ভাৰতীয়, সেইবাবে মই তোমাক থাকিবলৈ কোঠা দিব নোৱাৰিম, কিন্তু মই তোমাক একাপ চাহ আৰু এট কাহিনী আগবঢ়াব পাৰো।" মেনেজাৰজনে কৈছিল। এনে আচৰিত ধৰণৰ প্ৰস্তাৱ মই প্ৰত্যাখ্যান কৰিব নোৱাৰিলো। মেনেজাৰজনে আৰম্ভ কৰিলে —মই কাণপাতি শুনি গ'লো...

১৯৫০ চনৰ আগভাগত দিল্লীৰ হাই কমিচনত মই কেৰাণী হিচাবে চাকৰি কৰিছিলো আৰু সেইসময়ত লাহোৰত থকা মোৰ বন্ধু এজনে মোলৈ এটা ৰুক্কা (Rukka) এটা চমু হাতেলিখা টোকা পঠিয়াইছিল। ৰুক্কাটো এতিয়া দিল্লীৰ পাহাৰগঞ্জত থকা তেওঁৰ বন্ধু এজনক যিজন আগেয়ে তেওঁৰ

DailyAssam.Com



ওচৰ-চুবুৰীয়া হিচাবে আছিল, দিবলৈ মোক কোৱা হৈছিল। এদিন মই বাইচাইকেলখনত উঠি পাহাৰগঞ্জৰ ফালে গ'লো আৰু চেণ্টেল চেক্ৰেটেৰিয়টৰ ওচৰত থকা কেথেড্ৰেল পাৰ হওঁতেই এজন শিখ চাইকেল আৰোহীক দেখা পাই পাঞ্জাবীতে সুধিলো -"চৰ্দাৰজী, পাহাৰগঞ্জলৈ কোনফালে যাব পাৰি অনুগ্ৰহ কৰি ক'বনে?" তুমি এজন শৰণাৰ্থী নেকি? তেওঁ সুধিলে।

"নহয়, মই লাহোৰৰ, মোৰ নাম ইকবাল আহমেদ।"

"ইকবাল আহমেদ... লাহোৰৰ পৰা! ৰ'বা"

সেই ৰ'বা শব্দটো মোৰ বজ্ৰ আদেশ যেন লাগিল আৰু লগে লগে ভাবিলো যে আজি মই মৰিলো। এই শিখজনে মোক শেষ কৰি পেলাব। কিন্তু পলাই আঁতৰি যোৱাৰ সুযোগ মই নাপালো, গতিকে মই তেওঁৰ আদেশ মানি ৰৈ গ'লো। গাঠলু চেহেৰা শিখজন মোৰ ওচৰলৈ দৌৰি আহিল আৰু জোৰকৈ মোক সাৱটি ধৰিলে। সেমেকা চকুৰে তেওঁ কৈছিল - "এতিয়াৰ পৰা কেইটামান বছৰ মই এজনো পাঞ্জাবী মুছলমান লগ পোৱা নাই। বহুদিনৰ পৰা মই বিচাৰি ফুৰিছো, কিন্তু ইয়াত পাঞ্জাবী ভাষা কোৱা এজনো মুছলমান তুমি বিচাৰি নোপোৱা।"



চিত্ৰ,১৪.২
প্ৰায় ১০ নিযুততকৈ বেছি মানুহ তেওঁলোকৰ গৃহভূমিৰ পৰা উচ্ছেদ হৈছিল আৰু প্ৰবৰ্জিত হ'বলৈ বাধ্য হৈছিল।

**উৎস -৩**

## "নহয়, নহয় তুমি কেতিয়াও আমাৰ হ'ব নোৱাৰা"

গৱেষকে সন্নিবিষ্ট কৰা তৃতীয়টো কাহিনী এনেধৰণৰ ... ... ...

১৯২২ চনত লাহোৰত লগ পোৱা মানুহ এজনৰ কথা এতিয়াও মোৰ সম্পূৰ্ণ মনত আছে। তেওঁ মোক বিদেশত পঢ়া-শুনা কৰি থকা এজন পাকিস্থানী বুলি ভুল কৰিছিল। কিছুমান কাৰণবশতঃ তেওঁ মোক ভাল পাইছিল। পঢ়া-শুনা সমাপ্ত কৰি ঘৰলৈ ঘূৰি আহি মই দেশৰ হকে কাম কৰাটো তেওঁ বিচাৰিছিল। মই সেইটো কৰিবলৈ ৰাজী আছো বুলি তেওঁক জনাইছিলো; কিন্তু আমাৰ কথোপকথনৰ কোনোবা মূহুৰ্তত মই এজন ভাৰতীয় নাগৰিক বুলি কৈ পেলাইছিলো। লগে লগে তৎক্ষণাৎ তেওঁৰ কথাৰ সুৰ সলনি হ'ল আৰু নিজক কোনোমতে সংযম কৰিব নোৱাৰি ঘপহকৰে নাভাবি-নিচিন্তি কৈ পেলালে -"আহ ভাৰতীয়! মই তোমাক পাকিস্তানী বুলিহে ভাবিছিলো।" মই নিজকে এজন দক্ষিণ এচিয়ান বুলিহে গণ্য কৰো বুলি বাৰে বাৰে কোৱা মোৰ কথাযাৰলৈ তেওঁ কাণেই নিদিলে। "নহয় নহয়, তুমি কেতিয়াও আমাৰ হ'ব নোৱাৰা। ১৯৪৭ চনত তোমালোকৰ মানুহে মোৰ গোটেই গাওঁখন উচ্ছেদ কৰিলে, আমি তেতিয়াৰ পৰা তোমালোকক আমাৰ শত্ৰু বুলি গণ্য কৰিছো আৰু ভৱিষ্যতলৈও কৰিম।"

১) এই উৎসবিলাকত থকা প্ৰতিটো কাহিনীৰ মানুহবিলাকৰ এজনে আনজনৰ লগত কথা পাতোতে কেনে মনোভাৱ প্ৰদৰ্শন কৰিছে?
২) মানুহবিলাকে মনৰ ভিতৰত কঢ়িয়াই লৈ ফুৰা বিভাজনৰ বেলেগ বেলেগ স্মৃতিবিলাকৰ কথা এই কাহিনীকেইটাত প্ৰকাশ পাইছে বুলি তুমি ভাবা নেকি?
৩) মানুহে নিজকে আৰু এজনে আনজনৰ লগত কেনেকৈ পৰিচয় দিছিল?

**আলোচনা**

বিভাজনক লৈ ৰচনা কৰা তেনে কাহিনীবিলাকৰ মূল্যাংকণ কৰা।

DailyAssam.Com



## ২. গুৰুতৰ ৰূপে চিহ্নিত

### ২.১ বিভাজন নে প্ৰলয় ঃ

এইমাত্ৰ কৰা বৰ্ণনাখিনিয়ে বিভাজন চৰিতাৰ্থ কৰা ব্যাপক হিংসাক সূচাইছে। লাখ-লাখ মানুহৰ মৃত্যু হ'ল আৰু অগণন তিৰোতা ধৰ্ষিতা আৰু অপহৃত হ'ল। লাখ-লাখ মানুহ উচ্ছেদ হ'ল, শৰনাৰ্থীলৈ ৰূপান্তৰিত হৈ অচিনাকী ঠাইত থাকিব লগা হ'ল। বিভাজনৰ ফলত কিমান ক্ষয়-ক্ষতি হ'ল তাক সঠিককৈ নিৰ্ণয় কৰাটো একপ্ৰকাৰ অসম্ভৱ কথা। কিন্তু এটা হিচাবমতে প্ৰায় আনুমানিক ২ লাখৰ পৰা ৫ লাখ মানুহৰ মৃত্যু হৈছিল। এইটো ঠিৰাংকৈ ক'ব পৰা হৈছিল যে অন্ততঃ ১৫ নিযুত মানুহে ভাৰতবৰ্ষ আৰু পাকিস্থানক বিভক্ত কৰি দ্ৰুতগতিত নিৰ্মাণ কৰা সীমা এলেকা খৰধৰকৈ পাৰ হৈ যাবলগা হৈছিল, যিহেতু তেওঁলোকে এই "অস্পষ্ট সীমা" এলেকাত বিমোৰত পৰিছিল, দুয়োখন নতুন দেশৰ মাজৰ সীমা, আনুস্থানিক স্বাধীনতাৰ দুদিন পিছলৈকে কাগজে-পত্ৰই জনোৱা হোৱা নাছিল -তেওঁলোকে নিজৰ স্থায়ী মাটি-সম্পত্তি হেৰুৱাই গৃহহীন হৈ পৰিছিল। তেতিয়া বহুতেই নিজৰ সম্পৰ্কীয় মানুহ আৰু বন্ধু-বান্ধৱৰ পৰা পৃথক হৈ পৰিবলগা হৈছিল। সম্বন্ধীয় গোটৰ পৰা আঁতৰি ভাগ ভাগ হৈ পৰিছিল, নিজৰ মাটি-বাৰী, ঘৰ-পথাৰ আৰু পাবলগা লাভালাভৰ পৰা আৰু শৈশৱৰ স্মৃতিৰ পৰা আঁতৰি চেদেলি-ভেদেলি হৈ পৰিছিল আৰু আঘাটৰ মাজেদি জীৱন বুটলিবলৈ বাধ্য হৈছিল। এনেকৈয়ে তেওঁলোক স্থানীয় বা আঞ্চলিক সংস্কৃতিৰ পৰা বিচ্ছিন্ন হৈ পৰিছিল।

চিত্ৰ,১৪.৪
গৰুগাড়ীত বয়বস্তু আৰু পৰিয়ালৰ সৈতে যোৱা দৃশ্য ১৯৪৭



DailyAssam.Com



এইটো এটা সাধাৰণ বিভাজন নে কম-বেছি পৰিমাণে সাংবিধানিক ব্যৱস্থা, নে এটা আঞ্চলিক আৰু সম্পত্তি বিভাজনৰ কাৰণে দিয়া সম্পত্তি। নহ'লে এইটোক ১৬ (যোল্ল) মহীয়া গৃহযুদ্ধ বুলি কোৱা উচিত নেকি? যি দুয়োপক্ষৰ সু-সংঘবদ্ধ শক্তিৰ সকলো মানুহকে শত্ৰু সজাই উচ্ছেদ কৰিবলৈ অভিসন্ধি কৰিছিল।১৯৪৭ ৰ জীৱিতসকলে নিজৰ মাজতে "বিভাজনক' মাশ্চাল-লা যুদ্ধকালীন আইন (Martial law) , মাৰামাৰি (Killings) আৰু "ৰাওলা" বা হুলাৰ (Raula og hullar= disturbance, tumult, uproar) অশান্তি, কোঢ়াল, হুলস্থুল ইত্যাদি শব্দৰে আখ্যা দিব খোজে। বিভাজনৰ সময়ত সংঘটিত হোৱা হত্যা, ধৰ্ষণ, অগ্নি সংযোগ, লুটপাতক লক্ষ্য কৰি সমসাময়িক পৰ্যবেক্ষক আৰু গৱেষকসকলে কেতিয়াবা হ'লকাষ্ট (ধ্বংসযজ্ঞ) বুলি ক'ব খোজে, যিটো শব্দই মুখ্যতঃ একেলগে ব্যাপক হাৰত ঘটা হত্যাকাণ্ড বা ধ্বংসকাৰ্যক বুজায়।

এই উদ্ধৃতিটো উপযুক্তনে?

তোমালোকে নৱম শ্ৰেণীৰ পাঠ্যপুথিত জাৰ্মানীৰ নাজী বাহিনীয়ে দ্বিতীয় বিশ্বযুদ্ধৰ সময়ত সংঘটিত কৰা 'হ'লকাষ্ট'ৰ বিষয়ে পঢ়িছা। ধ্বংসযজ্ঞ উক্তিটোৱে এটা অৰ্থত ১৯৪৭ চনত উপমহাদেশখনত সংঘটিত হোৱা ঘটনাসমূহৰ গাঢ়তা উদ্ধৃতি দিছে, যিটোক কোমল ভাষাত "বিভাজন" শব্দটোৱে দখল কৰিছে। এইটোৱে জাৰ্মানীৰ ধ্বংসাত্মক বিভাজন কিয় হৈছিল,সেইটো পোহৰলৈ অনাত সহায় কৰিছে আৰু লগতে একে সময়ৰ আমাৰ ঘটনাসমূহ উনুকিওৱাত আৰু মনত পেলোৱাত সহায় কৰিছে। তথাপি দুয়োটা ঘটনাৰ মাজত থকা পাৰ্থক্যটো পাহৰি যোৱা উচিত নহয়। ১৯৪৭-৪৮ চনত উপমহাদেশখনে ৰাজ্যিক ভিত্তিত কোনো পৰীক্ষামূলক কাম কৰাটো চকুত নপৰে, কিন্তু নাজী-জাৰ্মানীত বিভিন্ন ধৰণৰ শাসন আৰু সংগঠনৰ আধুনিক প্ৰক্ৰিয়া ব্যৱহাৰ কৰিছিল। "গোষ্ঠীয় শুদ্ধিকৰণ" (ethnic cleansing) যিটোৱে ভাৰতৰ বিভাজন নীতি উদঙাই দিছে, সেইটোত ৰাজ্যিক কৰ্মকৰ্তা-সকলতকৈ ধৰ্মীয় সম্প্ৰদায়সমূহৰ স্বয়ম্ভু প্ৰতিনিধিসকলে বেছি আগভাগ লৈছিল।

**২.২ গতানুগতিকতাৰ শক্তি (The power of Stereotypes) ঃ**

পাকিস্থানৰ ভাৰতবিৰোধী আৰু ভাৰতৰ পাকিস্থান বিৰোধী লোকসকল বিভাজনৰ ফলশ্ৰুতি। সেইসময়ত কিছুমান মানুহে ভুল ভাবিছিল যে ভাৰতীয় মুছলমানসকলে পাকিস্থানৰ প্ৰতিহে আনুগত্য আছিল। গোড়া মুছলমানসকলৰ ওপৰঞ্চি সীমা অধিগ্ৰহণৰ গতানুগতিক মনোভাবটো অন্য তীব্ৰ প্ৰতিবাদী আঁচনিৰ লগত ম্লান হৈ গৈছিল। মুছলমানসকল নিষ্ঠুৰ, ধৰ্মান্ধ, অপবিত্ৰ দেশ আক্ৰমণকাৰীসকলৰ বংশধৰ; আনহাতে হিন্দুসকল দয়ালু, উদাৰ,পবিত্ৰ আৰু আক্ৰমণৰ বলি হোৱাসকলৰ উত্তৰাধিকাৰী। সাংবাদিক আৰ.এম.মুৰ্ফিয়ে (R.M. Murphy) দেখুৱাইছিল যে পাকিস্থানটো একেই মানসিকতা দেখা পোৱা গৈছিল। তেওঁৰ মতে কিছুমান পাকিস্থানীয়ে ভাবিছিল যে মুছলীমসকল ভাল, সাহসী, একেশ্বৰবাদী আৰু মাংসাহাৰী। আনহাতে হিন্দুসকল অন্ধ, কাপুৰুষ, বহু দেৱ-দেৱীত বিশ্বাসী আৰু নিৰামিষভোজনকাৰী। ইয়াৰে

DailyAssam.Com




কিছুমান ধাৰণা দুয়োপক্ষৰ উভয়ৰ প্ৰতি থকা মনোভাৱ বিভাজনৰ আগৰ, কিন্তু ১৯৪৭ চনৰ বিভাজনে সেই ধাৰণাসমূহ বহু পৰিমাণে দৃঢ় কৰি তুলিছিল—সেইটোত কোনো সন্দেহ নাই। বুৰঞ্জীবিদসকলে প্ৰতিটো মনোভাৱৰ আঁৰৰ কথাবিলাক পুঙ্খানুপুঙ্খভাৱে সমালোচনা কৰিছে। কিন্তু দুয়োখন দেশৰে ঘৃণাভাৱ দূৰ কৰিব নোৱাৰিলে।

দেশবিভাজনে সৃষ্টি কৰা ঘটনাবিলাক, ঘৃণা, বিৰূপ মতভেদ আৰু চিনাক্তকৰণ সীমান্তৰ দুয়োকাষে থকা মানুহবিলাকৰ বুৰঞ্জী এতিয়ালৈকে চলি আছে। এই ঘৃণাৰ ভাৱবিলাক আপোনা-আপুনি দুয়োটা জাতিৰ মাজত চলা সংঘৰ্ষৰ সময়ত বৃদ্ধি পালে আৰু জাতীয় সংঘৰ্ষসমূহে অতীতৰ হিংসাৰ স্মৃতিবিলাক জীয়াই ৰাখিলে। বিভাজনৰ হিংসাত্মক ঘটনাসমূহ, জাতীয়তাবাদী গোটসমূহে বেলেগ বেলেগ সম্প্ৰদায়সমূহৰ মাজত প্ৰভেদ গঢ়ি তোলাৰ বাবে পুনৰ সোঁৱৰিলে। সমস্যাবহুল নীতিটোৱে মানুহৰ মনত সন্দেহ আৰু অবিশ্বাসৰ সৃষ্টি, গতানুগতিক জাতীয়তাবাদৰ ক্ষমতা দৃঢ় কৰা ইত্যাদি হিন্দু, শিখ আৰু মুছলমানৰ মাজত গভীৰভাৱে পৃথক জাতীয়তাবাদৰ উৎপত্তি কৰি মৌলিকভাৱে স্বাৰ্থৰ বিৰোধিতা কৰিলে।

বিভাজনৰ এই ভেঁটিটোতে ভাৰত আৰু পাকিস্থানৰ সম্বন্ধ গঢ় লৈ উঠিছে। সেই গুৰুত্বপূৰ্ণ দুঃসময়ৰ সংঘাতেৰে ভৰা স্মৃতিয়ে দুয়োটা সম্প্ৰদায়ৰ অনুভৱক আকাৰ দিছে।

### আলোচনা

তুমি শুনা বিভাজনৰ কিছুমান কাহিনী স্মৰণ কৰা। এইবিলাকে বিভিন্ন সম্প্ৰদায়ৰ প্ৰতি তোমাৰ মত কিদৰে গঢ় দিছে? বেলেগ বেলেগ সম্প্ৰদায়সমূহে তেনেকুৱা গল্প বৰ্ণনা কৰিলে তোমাৰ কেনে লাগিব? কল্পনা কৰা।



**চিত্ৰ, ১৪.৫**

শৰীৰে বলে পৰাখিনি মানুহে কঢ়িয়াই নিছে। পুৰুষানুক্ৰমে বসবাস কৰি অহা মাটিৰ পৰা তেওঁলোকক উচ্ছেদ কৰা হৈছে।

DailyAssam.Com



## ৩. বিভাজন কিয় আৰু কেনেকৈ ঘটিছিল

### ৩.১- দীঘলীয়া ইতিহাসৰ শীৰ্ষবিন্দু

কিছুমান ভাৰতীয় আৰু পাকিস্থানী বুৰঞ্জীবিদে কয় যে মহম্মদ আলি জিন্নাৰ "দ্বি-জাতিতত্ত্ব" অৰ্থাৎ বৃটিছ ভাৰতত হিন্দু আৰু মুছলমানৰ বাবে সুকীয়া দেশ তত্বটো বহুত আগৰ মধ্যযুগৰ বুৰঞ্জী পৰ্যবেক্ষণ কৰিলে দেখা পোৱা যায়। তেওঁলোকে ব্যক্ত কৰিছে যে ১৯৪৭ চনৰ ঘটনাসমূহৰ লগত মধ্যযুগীয় আৰু আধুনিক যুগৰ ভাৰত বুৰঞ্জীত সংঘটিত হোৱা হিন্দু আৰু মুছলমানৰ দীঘলীয়া সংঘৰ্ষৰ ওতঃপ্ৰোত সম্পৰ্ক আছে। সংঘৰ্ষৰ বুৰঞ্জীত জাতি দুটা একেলগে মিলাপ্ৰীতিৰে থকা আৰু সাংস্কৃতিক বিনিময়ৰ পৰম্পৰা আছিল বুলি এনেকুৱা যুক্তিয়ে বিশ্বাস নকৰে। পৰিৱৰ্তিত পৰিবেশে মানুহৰ চিন্তাধাৰাক গঢ় দিয়াত প্ৰভাৱান্বিত কৰে বুলি তেওঁলোকে মানি ল'ব নোখোজে।

কিছুমান গৱেষকে বিভাজনক সাম্প্ৰদায়িক ৰাজনীতিৰ শীৰ্ষবিন্দু হিচাবে ক'ব খোজে, যিটো কুৰি শতিকাৰ আৰম্ভণিৰ পৰা ভাৰতত গা-কৰি উঠিছিল। তেওঁলোকৰ মতে ১৯০৯ চনত বৃটিছ চৰকাৰে মুছলীম লীগৰ বাবে পৃথক নিৰ্বাচনৰ পৰামৰ্শ দিছিল আৰু সাম্প্ৰদায়িক ৰাজনীতিক জটিল ৰূপ দি ১৯১৯ চনত ইয়াৰ পৰিধি অধিক বঢ়াই তুলিছিল। পৃথক নিৰ্বাচনৰ অৰ্থ আছিল যে এতিয়াৰে পৰা মুছলিমসকলে নিৰ্দ্ধাৰিত সমষ্টিসমূহত নিজা প্ৰতিনিধি নিৰ্বাচন কৰিব পাৰিব। এই ব্যৱস্থাই ৰাজনীতিকসকলক নিজ ধৰ্মীয় লোকক সাম্প্ৰদায়িক শ্লোগান আৰু সভা-সমিতি পাতি একত্ৰিত কৰিবলৈ প্ৰচুৰ প্ৰলোভিত কৰি তুলিলে। ধৰ্ম পৰিচয় এনেদৰে আধুনিক ৰাজনীতি ব্যৱস্থাত কাৰ্যকৰী হৈ পৰিল আৰু নিৰ্বাচনী ৰাজনীতিৰ ব্যৱস্থাত কাৰ্যকৰী হৈ পৰিল আৰু নিৰ্বাচনী ৰাজনীতিৰ তৰ্কই ধৰ্মীয় গোড়ামীক অধিকগভীৰ আৰু কঠিন কৰি পেলালে। সাম্প্ৰদায়িক পৰিচয়বিলাকত আস্থা আৰু বিশ্বাসৰ সাধাৰণ ব্যৱধান নোহোৱা হ'ল, বৰঞ্চ ঘৃণা আৰু বিৰোধভাৱ সক্ৰিয়তা হৈ পৰাটোকে সূচাইছিল। যিহেতুকে পৃথক নিৰ্বাচনে যেতিয়া ভাৰতৰ ৰাজনীতিক গভীৰ প্ৰভাৱান্বিত কৰিছিল সেইবাবে আমি যাতে সেইবিলাকৰ বৈশিষ্ট্যতাসমূহক গুৰুত্ব দিয়াত নাইবা বিভাজনক সিহঁতৰ কাৰ্যাৱলীৰ যুক্তিপূৰ্ণ ফলাফল বুলি গ্ৰহণ কৰাত সাৱধানতা অৱলম্বন কৰো।

কুৰি শতিকাৰ আগভাগত ঘটা আন কেতবোৰ ঘটনাৰ দ্বাৰা সাম্প্ৰদায়িক পৰিচয়ক দৃঢ় কৰিছিল। কিছুমান বিষয়বস্তু লৈ ১৯২০ চনৰ পৰা ১৯৩০ চনৰ আগভাগলৈকে যথেষ্ট উত্তেজনাৰ সৃষ্টি হৈছিল। মুছলমানসকলে মছজিদৰ সন্মুখত গীত গোৱাৰ কাৰণে, গাইগৰু বচোৱা আন্দোলনক লৈ আৰু শেহতীয়াভাৱে মুছলমানলৈ পৰিৱৰ্তিত হোৱা হিন্দুসকলক স্ব-ধৰ্মলৈ ঘূৰাই অনাৰ বাবে আৰ্যসমাজে প্ৰৱৰ্তন কৰা শুদ্ধিকৰণ (Shuddhi) ব্যৱস্থাক লৈ ক্ষুব্ধ হৈ পৰিছিল। হিন্দুসকল ১৯২৩ চনৰ পিছত দ্ৰুতভাৱে বিয়পি পৰা তবলিঘ (Tabligh) আৰু টাঞ্জিম (Tanzim) ৰ বাবে ক্ৰোধান্বিত হৈছিল। মধ্যবিত্ত শ্ৰেণীৰ প্ৰচাৰক আৰু সাম্প্ৰদায়িক কৰ্মীসকলে নিজ জাতি দৃঢ় কৰিবৰ বাবে অন্য জাতিৰ বিপক্ষে মানুহবিলাকক উচটনি দিছিল, ফলত দেশৰ বিভিন্ন ঠাইত

**লক্ষ্ণৌ চুক্তি**

১৯১৬ চনৰ ডিচেম্বৰ মাহত লক্ষ্ণৌত কংগ্ৰেছ আৰু মুছলীম লীগৰ (উত্তৰ প্ৰদেশৰ যুৱ পাৰ্টিৰ দ্বাৰা নিয়ন্ত্ৰিত) মাজত এখন চুক্তি স্বাক্ষৰিত হয়, যিখনত কংগ্ৰেছে মুছলীম লীগৰ বাবে পৃথক নিৰ্বাচনৰ দাবী মানি ল'লে। চুক্তিসমূহে বৃটিছৰ ওচৰত কংগ্ৰেছৰ নৰমপন্থী, চৰমপন্থী আৰু মুছলীম লীগক একেলগে একেখন মঞ্চত উপনিষ্ঠ হ'বলৈ সুবিধা দিলে।

**আৰ্য সমাজ**

১৯ শতিকাৰ শেষৰফালে আৰু কুৰি শতিকাৰ আগভাগত উত্তৰ ভাৰতত বিশেষকৈ পাঞ্জাবত হিন্দু সংস্কাৰ সংগঠন এটা সক্ৰিয় হৈ উঠে, আৰ্যসমাজ নামে জনাজাত এই সংগঠনে বৈদিক বাণীসমূহ পূনৰ্জীৱিত কৰিবলৈ আৰু আধুনিক শিক্ষাবিজ্ঞানৰ লগত ইয়াক সংলগ্ন কৰিবলৈ সংকল্প লৈছিল।

মছজিদৰ সন্মুখত গীত ঃ নামাজৰ সময়ত এটা মছজিদৰ বাহিৰফালে এটা ধৰ্মীয় শোভাযাত্ৰাত বজোৱা গানৰ শব্দই হিন্দু-মুছলমানক হিংসাত্মক কৰি তুলিব পাৰে। ভগৱানক প্ৰাৰ্থনা কৰি থকা সময়ত এনে কাৰ্যক গোড়া মুছলীমসকলে বাধাৰ হেঙাৰ হিচাবে গণ্য কৰিছিল।

সাম্প্ৰদায়িক সংঘৰ্ষই দেখা দিছিল। প্ৰতিটো বিস্তৃত সাম্প্ৰদায়িক অশান্তিয়ে বেলেগ বেলেগ সম্প্ৰদায়ৰ মাজত পাৰ্থক্য মতবিৰোধ ভাব গভীৰভাৱে বঢ়াই তুলিছিল আৰু হিংসাৰ হানিকাৰক স্মৃতিয়ে মনত উদ্ৰেক কৰিছিল।

DailyAssam.Com

সাধাৰণ সাম্প্ৰদায়িক উত্তেজনাৰ পৰা বিভাজনৰ উৎপত্তি হৈছিল বুলি ভাবিলে ভুল কৰা হ'ব। বিভাজনৰ ওপৰত নিৰ্মিত "গৰম হাৱা" নামৰ চিনেমাখনত মুখ্য নায়কে এনেদৰে কৈছে ১৯৪৭ চনৰ আগতেই সাম্প্ৰদায়িক অশান্তিয়ে দেখা দিছিল কিন্তু ইয়াৰ ফলত লাখ-লাখ মানুহক গৃহভূমিৰ পৰা উচ্ছেদ কৰিবলগীয়া অৱস্থা হোৱাগৈ নাছিল। কিন্তু বিভাজনৰ আগৰ সাম্প্ৰদায়িক ৰাজনীতিতকৈ একেবাৰে বেলেগ এটা লক্ষ্য কৰিবলগীয়া ঘটনা আৰু বৃটিছ শাসনৰ শেষ দশকত ঘটা ঘটনাসমূহক সাৱধানে চালিজাৰি চাব লাগিব।

## সাম্প্ৰদায়িকতা কি?

আমাৰ পৰিচয় বহুধৰণে পাব পাৰো -যেনে তুমি এজন ল'ৰা বা এজনী ছোৱালী, তোমালোক ডেকা বয়সৰ, তোমালোক এখন গাঁও বা চহৰ, নগৰ জিলা বা প্ৰদেশৰ আৰু কিছুমান নিৰ্দিষ্ট ভাষাত কথা কোৱা। তোমালোক ভাৰতীয়,কিন্তু তোমালোক পৃথিৱীৰো নাগৰিক। আমাৰ পৰিয়ালবিলাকৰ উপাৰ্জন বেলেগ বেলেগ হোৱাৰ কাৰণে আমি সকলোৱে কিছুমান সামাজিক শ্ৰেণী বা স্থানত অন্তৰ্ভুক্ত। আমাৰ বেছিভাগৰে এটা ধৰ্ম আছে। আৰু জাতিয়ে আমাৰ জীৱনত এটা গুৰুত্বপূৰ্ণ ভূমিকা গ্ৰহণ কৰিব পাৰে। আনকথাত ক'বলৈ গ'লে আমাৰ পৰিচয়ৰ কিছুমান বৈশিষ্ট্যতা আছে, যিবোৰ জটিল যেই কি নহওঁক, এটা সময়ত মানুহে ধৰ্মৰ নিচিনা কিছুমান পচন্দৰ বিষয়ৰ দ্বাৰা তেওঁলোকৰ পৰিচয় দিয়াত অধিক গুৰুত্ব দিছিল। অকল এইটোকে সাম্প্ৰদায়িক বুলি ক'ব নোৱাৰি।

সাম্প্ৰদায়িকতাবাদে এনে ৰাজনীতি বুজায়, যি ধৰ্মীয় পৰিচয়েৰে এটা জাতিক একত্ৰিত কৰি অন্য এটা জাতি বা সম্প্ৰদায়ৰ বিৰোধী হ'বলৈ উদগণি যোগায়। ই এটা সম্প্ৰদায়ক মৌলিক আৰু স্থায়ী বুলি প্ৰমাণ কৰিব বিচাৰে। এই সম্প্ৰদায়টোৰ পৰিচয় দৃঢ় আৰু স্বাভাৱিক কৰিব খোজে যে মানুহে পৃথিৱীত এই পৰিচয় লৈহে জন্মগ্ৰহণ কৰে, যেন পৰিচয়টো বুৰঞ্জীৰ দ্বাৰাহে উদ্ভৱ হৈছে।

সম্প্ৰদায়ক একত্ৰিত কৰিবলৈ সাম্প্ৰদায়িকতাবাদে সম্প্ৰদায়টোত অন্তৰ্নিহিত হৈ থকা গুণখিনিক দমন কৰি ৰাখে আৰু অন্য সম্প্ৰদায়ৰ বিৰুদ্ধে ঐক্য হ'বলৈ উৎসাহ যোগায়।

কোনো কোনোৱে ক'ব খোজে যে সাম্প্ৰদায়িকতাবাদে এজনে আনজনৰ প্ৰতি ঘৃণাৰ ৰাজনীতি উৎপত্তি কৰে, যেনে হিন্দুৱে মুছলমানৰ প্ৰতি আৰু মুছলমানে হিন্দুৰ প্ৰতি সাম্প্ৰদায়িকতাবাদ ঘৃণাৰ ৰাজনীতি সৃষ্টি কৰে। এই ঘৃণাই ৰাজনীতিত ইন্ধন যোগায়।

তেনেহ'লে সাম্প্ৰদায়িকতাবাদ হ'ল এবিধ বিশেষ ধৰণৰ ধৰ্মীয় পৰিচয়ৰ ৰাজনীতিৰ এটা তত্ত্ববাদ যিটোৱে বিভিন্ন ধৰ্মৰ সম্প্ৰদায়সমূহৰ মাজত সংঘাত সৃষ্টি কৰিবলৈ বিচাৰে। বহুধৰ্মৰ দেশ এখনৰ ক্ষেত্ৰত এই "ধৰ্মীয় জাতীয়তাবাদ" (religious nationalism) বাক্যাংশ একেটা অৰ্থত খাটিব। তেনে এখন দেশত এটা ধৰ্মীয় সম্প্ৰদায়ক এটা জাতি হিচাবে আখ্যা দিবলৈ গ'লে আন কিছুমান ধৰ্মৰ বিৰুদ্ধে হিংসাৰ বীজ সিঁচি দিয়া হ'ব। এম.এ. জিন্নাই বৃটিছ ভাৰতৰ মুছলমানসকলক এটা জাতি হিচাপে গণ্য কৰিছিল আৰু তেওঁলোকৰ কাৰণে এক জাতিৰ এখন দেশ বিচাৰিছিল।

DailyAssam.Com



## ৩.২ ১৯৩৭ চনৰ প্ৰাদেশিক নিৰ্বাচন আৰু কংগ্ৰেছ মন্ত্ৰীসভা

১৯৩৭ চনত প্ৰথমবাৰৰ বাবে প্ৰাদেশিক ব্যৱস্থাপক সভাৰ নিৰ্বাচন অনুষ্ঠিত হ'ল। অকল শতকৰা ১০ ৰ পৰা ১২ ভাগ মানুহে নিৰ্বাচনত ভোটাধিকাৰ সাব্যস্ত কৰিলে। কংগ্ৰেছে ১১ খন প্ৰদেশৰ ভিতৰত ৫ খনত একক সংখ্যাগৰিষ্ঠতা লাভ কৰি নিৰ্বাচনত ভাল ফল দেখুৱালে আৰু ৭খন প্ৰদেশত মন্ত্ৰীসভা গঠন কৰিলে। কংগ্ৰেছে মুছলীমৰ বাবে সংৰক্ষিত সমষ্টিসমূহত একেবাৰেই ভোট নাপালে, কিন্তু মুছলীম লীগেও নিৰ্বাচনত ভাল ফল দেখুৱাব নোৱাৰিলে। মাত্ৰ শতকৰা ৪.৪ ভাগ মুছলমান লোকে লীগক ভোটদান কৰিলে। উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশত (NWFP) লীগে এখনো আসন লাভ কৰিব নোৱাৰিলে আৰু পাঞ্জাৱৰ সংৰক্ষিত ৮৪ টা সমষ্টিৰ ভিতৰত মাত্ৰ দুটা আৰু সিন্ধু প্ৰদেশত ৩৩ খন আসনৰ বিপৰীতে তিনিখন আসনত জয়ী হ'ল।

সংযুক্ত প্ৰদেশবিলাকত মুছলীম লীগে কংগ্ৰেছৰ সৈতে লগ-লাগি সংযুক্ত চৰকাৰ গঠন কৰিবলৈ ইচ্ছা প্ৰকাশ কৰিলে, কিন্তু প্ৰদেশসমূহত কংগ্ৰেছে একক সংখ্যাগৰিষ্ঠতা লাভ কৰিছিল, সেইবাবে লীগৰ প্ৰস্তাৱ প্ৰত্যাখান কৰিলে। কিছুমান গৱেষকে সমালোচনা কৰে যে এই প্ৰত্যাখ্যানৰ ফলত মুছলীম লীগে প্ৰত্যয় গ'ল যে যদিহে তেওঁলোক ভাৰতৰ লগত একগোট হৈ থাকে, তেন্তে তেওঁলোকে শাসন ক্ষমতা কেতিয়াও লাভ কৰিব নোৱাৰিব, কিয়নো তেওঁলোক সংখ্যালঘু হিচাবে থাকিব লাগিব। লীগ নিশ্চিত হ'ল যে মুছলীম পাৰ্টিয়ে কেৱল মুছলমানৰ স্বাৰ্থৰ হকে প্ৰতিনিধিত্ব কৰিব পাৰিব, কাৰণ নিঃসন্দেহে কংগ্ৰেছ এটা হিন্দু পাৰ্টি। কিন্তু জিন্নাই লীগক মুছলমানৰ একমাত্ৰ 'মুখপাত্ৰ' বুলি কৰা জেদক সেইসময়ত কম মানুহে মানি লৈছিল। যদিও সংযুক্ত প্ৰদেশসমূহত, বম্বে আৰু মাদ্ৰাজত লীগ জনপ্ৰিয় আছিল কিন্তু বেঙ্গল, উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশ আৰু পাঞ্জাৱত লীগে ভালদৰে সামাজিক সমৰ্থন পোৱা নাছিল, অথচ ১০ বছৰ পিছত এই প্ৰদেশকেইখন লৈয়ে পাকিস্থান গঠিত হৈছিল। আনকি সিন্ধুপ্ৰদেশত লীগ চৰকাৰ গঠনত ব্যৰ্থ হৈছিল। ইয়াৰপৰা এইটোকে বুজিব পাৰি যে পৰৱৰ্ত্তী সময়ছোৱাত লীগে সামাজিক সমৰ্থন লাভ কৰিবলৈ দুগুণ জোৰেৰে প্ৰচেষ্টা চলাবলগীয়া হৈছিল।

কংগ্ৰেছ মন্ত্ৰীসভায়ে দুয়োপক্ষৰ মাজৰ প্ৰাচীৰখন বঢ়াই গৈছিল। যুক্তপ্ৰদেশত মুছলীম লীগে সন্মিলিত চৰকাৰ গঠনৰ বাবে আগবঢ়োৱা প্ৰস্তাৱটো কংগ্ৰেছে প্ৰত্যাখ্যান কৰিছিল, কাৰণ লীগে মাটি জমিদাৰীবাদৰ প্ৰতি সমৰ্থন জনাইছিল, যিটো কংগ্ৰেছে উচ্ছেদ কৰিব বিচাৰিছিল যদিও তেতিয়ালৈকে বিষয়টোত একো সুদৃঢ় ব্যৱস্থা গ্ৰহণ

**মুছলীম লীগ**

১৯০৬ চনত ঢাকাত জন্মলাভ কৰা মুছলীম লীগক অতি সোনকালে উত্তৰ প্ৰদেশৰ উচ্চ মুছলমানশ্ৰেণীয়ে আদৰি ল'লে। লীগে উপমহাদেশখনৰ মুছলীম সংখ্যাগৰিষ্ঠ অঞ্চলৰ স্বায়ত্বশাসনৰ দাবী আৰু ১৯৪০ চনত পাকিস্থান দাবী কৰিলে।

**হিন্দু মহাসভা**

১৯১৫ চনত স্থাপিত হোৱা হিন্দু মহাসভা উত্তৰ ভাৰতক আৱৰি থকা এটা হিন্দু পাৰ্টি আছিল। এই সভাৰ লক্ষ্য আছিল জাতি-ভেদ নেওঁচি হিন্দু সমাজক অনুপ্ৰেৰণা যোগাই একত্ৰিত কৰা। এই সভাই মুছলমান অস্তিত্বৰ বিপৰীতে হিন্দু অস্তিত্ব অক্ষুণ্ণ ৰাখিবলৈ অঙ্গীকাৰ কৰিছিল।

DailyAssam.Com

কৰা নাছিল। ইফালে কংগ্ৰেছে আৰম্ভ কৰা 'সমূহ মুছলীম সংযোগ (Muslim Mass Contact) আঁচনিখনৰ পৰা বিশেষ লাভৱান নহ'ল। সৰ্বশেষত কংগ্ৰেছৰ ধৰ্মনিৰপেক্ষ আৰু গণতান্ত্ৰিক সংস্কাৰকসকলে সৰহ সংখ্যক মুছলীমৰ পৰা আস্থা লাভ নকৰাকৈ গোড়া আৰু মুষ্টিমেয় বিশিষ্ট মুছলীমসকলক কেৱল সকিয়নি দিলে। ইয়াৰ বাহিৰেও জ্যেষ্ঠ কংগ্ৰেছ নেতাসকলে ১৯৩০ চনৰ শেষৰফালে যেতিয়া ধৰ্মনিৰপেক্ষতা আৱশ্যকতাৰ ওপৰত আগতকৈও বেছি গুৰুত্বসহকাৰে উত্থাপন কৰে, এই আদৰ্শসমূহ কোনোপ্ৰকাৰে দলীয় উত্তৰাধিকাৰীত সৰ্বত্ৰ অংশগ্ৰহণ কৰা নাছিল বা সকলো মন্ত্ৰীয়ে ভাগ লোৱা নাছিল। ১৯৩৭ চনত এজন উল্লেখযোগ্য কংগ্ৰেছী নেতা মৌলানা আজাদে স্পষ্ট কৰি কৈছিল যে কংগ্ৰেছৰ সভ্যসকলক লীগত যোগদান কৰিবলৈ অনুমতি দিয়া হোৱা নাছিল, আনহাতে হিন্দু মহাসভাত কংগ্ৰেছকৰ্মীসকলে সক্ৰিয়ভাৱে কাম কৰি গৈছিল, বিশেষকৈ যুক্তপ্ৰদেশত (বৰ্তমানৰ মধ্যপ্ৰদেশ) ১৯৩৮ চনৰ ডিচেম্বৰ মাহতহে কংগ্ৰেছ ৱৰ্কিং কমিটিয়ে ঘোষণা কৰিছিল যে কংগ্ৰেছৰ সভ্যসকলে হিন্দু মহাসভাৰ সদস্য হ'ব নোৱাৰিব। ঘটনাক্ৰমে দেখা গৈছিল যে এই সময়ছোৱাতে হিন্দুমহাসভা আৰু ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘ (RSS) শক্তিশালী হৈ উঠিছিল। নাগপুৰত ঘাঁটি থকা স্বয়ংসেৱক সংঘই ১৯৩০ চনত যুক্তপ্ৰদেশ পাঞ্জাব আৰু দেশৰ অন্য অংশলৈ বিয়পি পৰিছিল। (আৰ.এচ.এচ এ) ৰাষ্ট্ৰীয় স্বয়ংসেৱক সংঘই হিন্দু জাতীয়তাবাদ আদৰ্শক সৰোগত কৰি ভাৰতক এখন হিন্দুৰ দেশ বুলি গণ্য কৰিছিল। ১৯৪০ চনত দেশত আৰ এচ এচৰ প্ৰশিক্ষণপ্ৰাপ্ত আৰু উচ্চ নিয়মানুৱৰ্ত্তী সদস্যৰ সংখ্যা একলাখতকৈও বেছি হৈছিল।

**ৰাষ্ট্ৰ লীগ —** আধুনিক ৰাজনীতিৰ ভাষাত ক'বলৈ হ'লে ই হ'ল সুন্দৰ স্ব-শাসনেৰে পৰিচালিত আৰু সীমিত ক্ষমতাৰ সৈতে কেন্দ্ৰীয় চৰকাৰৰ দ্বাৰা গঠিত এখন সংযুক্ত সাৰ্বভৌম ৰাষ্ট্ৰ।

### ৩.৩ পাকিস্তান —প্ৰস্তাৱ ঃ

পাকিস্থান দাবীটো একাদিক্ৰমে গৃহীত হ'বলৈ ধৰিলে। ১৯৪০ চনৰ ২৩ মাৰ্চ তাৰিখে লীগে উপমহাদেশখনৰ মুছলীম সংখ্যাগৰিষ্ঠ থকা অঞ্চলসমূহত স্বায়ত্ত্বশাসন দাবী জনাই এটা প্ৰস্তাৱ গ্ৰহণ কৰিলে। এই দ্বি-অৰ্থক প্ৰস্তাৱটোত পাকিস্থান অথবা বিভাজনৰ বিষয়ে একো উল্লেখ নাছিল। প্ৰকৃততে চিকন্দৰ হেয়াৎখান নামৰ পাঞ্জাবৰ মুখিয়াল আৰু ইউনিয়ন পাৰ্টিৰ নেতা এজনে প্ৰস্তাৱটোৰ খচৰা প্ৰস্তুত কৰিছিল। তেওঁ ১৯৪১ চনৰ ১ মাৰ্চত পাঞ্জাব বিধানসভাত দিয়া বক্তৃতাত কৈছিল যে তেওঁ পাকিস্থান বিৰোধী। কাৰণ পাকিস্থানে ইয়াত মুছলীমৰাজ আৰু আন কৰবাত হিন্দুৰাজ বুজাব। যদি পাকিস্থান মানে পাঞ্জাবত নিভাঁজ মুছলমান ৰাজ তেনেহ'লে তেওঁৰ তাত একো কৰিবলগীয়া নাই। তেওঁ মিত্ৰগোটৰ কাৰণে এখন পৰিমিত স্বায়ত্বশাসনৰ সৈতে মিলা লীগ বিচৰা কথাটো পুনৰবাৰ দোহাৰে।

পাকিস্থান দাবীৰ উৎস বিচাৰিলে -"সাৰে জাহাসে আচ্ছা, হিন্দুস্থান হামাৰা" গীতটোৰ লেখক উৰ্দু কবি মহম্মদ ইকবালৰ নাম ল'ব লাগিব। ১৯৩০ চনত মুছলীম লীগৰ অধিবেশনত সভাপতিৰ ভাষণত কবিজনাই এখন উত্তৰ-পশ্চিম ভাৰতীয় মুছলীম ৰাজ্যৰ আৱশ্যকতাৰে বিষয়ে কৈছিল। যেই কি নহওঁক, ইকবালে কিন্তু ভাষণত এখন নতুন দেশৰ জৰুৰী প্ৰয়োজনীয়তাৰ কথা কোৱা নাছিল। কিন্তু উত্তৰ-পশ্চিম ভাৰতৰ

**পাকিস্থান নামটো**

কেম্ব্ৰিজ বিশ্ববিদ্যালয়ৰ ছাত্ৰ চৌধুৰী ৰেহমত আলীয়ে পাঞ্জাব, আফগানিস্তান, কাশ্মীৰ, সিন্ধু আৰু বেলুচিস্তান নামৰ পৰা 'পাকিস্থান' শব্দটোৰ ৰূপ দিছিল (Pak-stan = Panjab, Afganistan, Kashmir, Sind and Balusistan) তেওঁ ১৯৩৩ আৰু ১৯৩৫ চনত প্ৰকাশ কৰা ক্ষুদ্ৰ পত্ৰিকাত "পাকিস্থান'ৰ বাবে সুকীয়া জাতীয় মৰ্যাদা বিচাৰিছিল। ১৯৩০ চনলৈকে কোনেও ৰহমত আলীৰ বক্তব্যলৈ কাণ নিদিছিল, মুছলীম লীগৰ নগণ্য সদস্য আৰু আন আন মুছলমান নেতাসকলে এইটো ছাত্ৰাৱস্থাৰ সপোন বুলি নাকচ কৰিছিল।

মুছলীম বসতিপ্ৰধান অঞ্চলত একক শিথিল গাঁঠনিৰ ভাৰতীয় সংযুক্ত শাসনতন্ত্ৰৰ ভিতৰতে এখন স্বায়ত্বশাসিত অংশৰ পুৰ্নগঠন কৰাৰ মত পোষণ কৰিছিল।

### ৩.৪ বিভাজনৰ আকস্মিকতা

আমি দেখিছো যে ১৯৪০ চনত লীগৰ নিজৰেই দাবীসমূহৰ প্ৰতি স্পষ্ট ধাৰণা নাছিল। লীগে উপমহাদেশখনৰ সংখ্যাগৰিষ্ঠ মুছলীম অধ্যুষিত অঞ্চলসমূহত প্ৰথম আনুস্থানিকভাৱে স্বায়ত্বশাসন দাবী তোলাৰ পৰা বিভাজনলৈকে মাজত মাথোন সাতটা বছৰ। পাকিস্থান গঠন হ'লোনো কি হ'ব? আৰু ই জনসাধাৰণৰ জীৱনৰ ওপৰত ভৱিষ্যতে কেনেদৰে প্ৰভাৱ পেলাব সেইটো কোনেও বুজি পোৱা নাছিল। ১৯৪৭ চনত নিজ জন্মভূমিৰ পৰা প্ৰব্ৰজন হোৱা বহুত মানুহে ভাবিছিল যে শান্তি ঘূৰি অহাৰ পিছতে তেওঁলোকে আকৌ গৃহভূমিলৈ ঘূৰি যাব পাৰিব।

আৰম্ভণিতে মুছলমান নেতাসকলে পাকিস্থানক এখন সাৰ্বভৌম ৰাজ্য হিচাবে নিষ্ঠাৰে দাবীটো উথাপন কৰা নাছিল। প্ৰথমতে জিন্নাই নিজেও বৃটিছে যাতে কংগ্ৰেছৰ প্ৰতি বেছি সহানুভূতি দেখুৱাব নোৱাৰে; কেৱল মুছলীম সকলেহে অতিৰিক্ত সা-সুবিধাখিনি লাভ কৰিব পাৰে সেইটো উদ্দেশ্য আগত ৰাখি দৰদাম কৰা আহিলাৰূপে পাকিস্থানৰ ধাৰণাটো বিচাৰ কৰিছিল। দ্বিতীয় মহাযুদ্ধৰ হেঁচাৰ থকাৰ কাৰণে বৃটিছে স্বাধীনতা মীমাংসা কিছুসময়ৰ বাবে পলম কৰিছিল। ১৯৪২ চনৰ তীব্ৰ ভাৰত ত্যাগ আন্দোলনে কঠোৰ দমনৰ চেষ্টা স্বত্বেও বৃটিছ ৰাজক কঁপাই তুলিলে আৰু সম্ভৱতঃ ক্ষমতা হস্তান্তৰ কৰিবৰ কাৰণে ভাৰতীয় ৰাজনৈতিক দলসমূহৰ লগত আলোচনাত বহিবলৈ বৃটিছ বিষয়াসকল বাধ্য হ'ল।

উৎস - ৪

**১৯৪০ চনৰ মুছলীম লীগৰ প্ৰস্তাৱ**

লীগৰ ১৯৪০ চনৰ প্ৰস্তাৱটোত দাবী কৰে যে ভৌগোলিকভাৱে সন্নিহিত গোটসমূহক অঞ্চলৰ সীমা হিচাপে চিহ্নিত কৰিব লাগে, যিটো আৱশ্যক অনুসৰি ৰাষ্ট্ৰীয় পৰিসীমাৰ পুনৰ মীমাংসা কৰি, উত্তৰ পশ্চিম আৰু পূৰ্বোত্তৰ অঞ্চলৰ দৰে গঠন কৰিব লাগে, য'ত মুছলীম বসতিপ্ৰধান অঞ্চলসমূহ একোখন স্বায়ত্বশাসিত "স্বাধীন ৰাজ্য"ত পৰিণত হয়।


➲ লীগে কি দাবী কৰিছিল? আমি আজি জনামতে পাকিস্থানৰ দাবী উথাপন কৰিছিল নেকি?

### ৩.৫ যুদ্ধৰ পৰৱৰ্ত্তী ঘটনাসমূহ ঃ

১৯৪৫ চনত যেতিয়া দুয়োপক্ষৰ মাজত আলোচনা পুনৰ আৰম্ভ হ'ল, তেতিয়া বৃটিছে ভাৰতীয় নেতৃবৰ্গক লৈ গৱৰ্ণৰ জেনেৰেলৰ কাৰ্যনিৰ্বাহক পৰিষদ এখন পূৰ্ণস্বাধীনতা দানৰ প্ৰাথমিক পদক্ষেপ হিচাবে দিবলৈ সন্মত হ'ল, কিন্তু ইয়াত ভাইচৰয় আৰু সামৰিক বাহিনীৰ সৰ্বাধিনায়কৰ দায়িত্ব বৃটিছ সদস্যৰ হাতত থাকিব। কিন্তু জিন্নাৰ নিৰ্দয় দাবীৰ কাৰণে আলোচনা ব্যৰ্থ হ'ল। জিন্নাই দাবী জনাইছিল যে কাৰ্যনিৰ্বাহক পৰিষদৰ সকলো মুছলমান সদস্যক নিৰ্বাচিত কৰিবলৈ একমাত্ৰ মুছলীম লীগক সম্পূৰ্ণ ক্ষমতা দিব লাগিব আৰু পৰিষদত মুছলীমৰ একপ্ৰকাৰ 'ভেটো' ক্ষমতা থাকিব লাগিব আৰু মুছলীমে বিৰোধীতা কৰা প্ৰস্তাৱ দুই-তৃতীয়াংশ ভোটৰ দৰকাৰ হ'ব। বৰ্ত্তমান ৰাজনৈতিক পৰিস্থিতিত লীগৰ প্ৰথমটো প্ৰস্তাৱ অগতানুগতিক আছিল, কাৰণ এক বুজন পৰিমাণৰ জাতীয়তাবাদী মুছলীম মানুহে কংগ্ৰেছত সমৰ্থন জনাইছিল, মৌলানা আজাদৰ নেতৃত্বত এইবিলাক আলোচনাৰ বাবে প্ৰতিনিধি দল প্ৰেৰণ কৰা হৈছিল। পশ্চিম পাঞ্জাৱৰ ইউনিয়নিষ্ঠ

DailyAssam.Com





চিত্র.১৪.৬

১৯৩৯ চনৰ নৱেম্বৰ মাহত ভাইচৰয়ৰ সৈতে হ'বলগা মিটিং এখনৰ আগতে মহাত্মাগান্ধীক মহম্মদ আলি জিন্নাৰ সৈতে দেখা গৈছে।

(যুক্ত পাৰ্টি) পাৰ্টিৰ বৈছিভাগ সদস্য মুছলীম আছিল। পাঞ্জাবত শাসন চলাই থকা এই ইউনিয়নিষ্ঠ পাৰ্টিৰ লোকসকল বৃটিছৰ লগত সদ্ভাৱ ৰাখি চলিছিল কাৰণে বৃটিছ চৰকাৰে এতিয়া তেওঁলোকৰ বিৰোধিতা কৰি বিৰক্ত কৰিল'ব খোজা নাছিল।

১৯৪৬ চনৰ আগভাগত পুনৰ প্ৰাদেশিক নিৰ্বাচন অনুষ্ঠিত হ'ল, সাধাৰণ সমষ্টিবোৰত ৯১.৩ শতাংশ ভোটেৰে কংগ্ৰেছে জয়লাভ কৰিলে। মুছলীম লীগেও মুছলমানসকলৰ বাবে সংৰক্ষিত আসনসমূহত জয়লাভ কৰি সমানেই বিজয়ী হোৱাটো পৰিলক্ষিত হ'ল, ই কেন্দ্ৰত ৮৬.৬ শতাংশ মুছলমানৰ ভোটেৰে ৩০ টা সংৰক্ষিত আসনৰ আটাইখিনি দমন কৰিলে আৰু প্ৰদেশসমূহত ৫০৯ টা আসনৰ বিপৰীতে ৪৪২ খন আসনত জয়লাভ কৰিলে। ১৯৪৬ চনৰ শেষৰফালে লীগক মুছলীম ভোটাৰসকলৰ মাজত সুপ্ৰতিষ্ঠিত কৰিলে আৰু ভাৰতীয় মুছলমানসকলৰ কাৰণে "একমাত্ৰ কওতা" (Sole spokes man) বুলি কৰা দাবীটো সত্যতা প্ৰতিপন্ন হ'ল। তোমালোকে যেই কি নহওঁক দেখিছা যে সেইসময়ত ভোটাধিকাৰ বৰ সীমিত আছিল। প্ৰাদেশিক নিৰ্বাচনসমূহত মুঠ জনসংখ্যাৰ ভিতৰত প্ৰায় শতকৰা ১০ ৰ পৰা ১২ ভাগ মানুহে কেৱল ভোটদান অধিকাৰ লাভ কৰিছিল আৰু কেন্দ্ৰীয় পৰিষদৰ কাৰণে হোৱা নিৰ্বাচনত শতকৰা এভাগ মানুহে ভোটাধিকাৰ সাব্যস্ত কৰিছিল।

### ইউনিয়নিষ্ট পাৰ্টি

পাঞ্জাৱত মাটি মালিক, হিন্দু-মুছলীম আৰু শিখসকলৰ স্বাৰ্থ পূৰণৰ বাবে প্ৰতিনিধিত্ব কৰা এটা ৰাজনৈতিক পাৰ্টি। ১৯২৩-৪৭ চনৰ সময়ছোৱাত এই পাৰ্টিটো শক্তিশালী হৈ উঠিছিল।

DailyAssam.Com



## ৩.৬ বিভাজনৰ সম্ভাব্য বিকল্প

১৯৪৬ চনৰ মাৰ্চ মাহত বৃটিছ কেবিনেটে তিনিজন সদস্যযুক্ত এটা আয়োগ লীগৰ দাবীসমূহ পৰীক্ষা কৰিবলৈ আৰু লগতে মুক্তভাৱে ৰাজনৈতিক সমাধানসূত্ৰ অনুসন্ধানৰ কাৰণে দিল্লীলৈ পঠিয়ালে। কেবিনেট আয়োগে তিনিমাহ দেশখনত পৰিভ্ৰমণ কৰিলে আৰু তিনিখলপীয়া এখন আঁচনি আগবঢ়ালে। ভাৰত অখণ্ড হৈ থাকিব। বৈদেশিক পৰিক্ৰমা, প্ৰতিৰক্ষা আৰু পৰিবহণ বিষয়কেইটা এটা দুৰ্বল কেন্দ্ৰীয় চৰকাৰে তদাৰক কৰিব। প্ৰদেশবোৰক তিনিটা সমষ্টিত ভাগ কৰা হ'ব। হিন্দুপ্ৰধান যেনে —মাদ্ৰাজ, বোম্বাই, যুক্তপ্ৰদেশ,বিহাৰ, মধ্যপ্ৰদেশ আৰু উৰিষ্যাক লৈ 'ক' সমষ্টি, মুছলীম বসতিপ্ৰধান পাঞ্জাব,সিন্ধুপ্ৰদেশ আৰু উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশকলৈ 'খ' সমষ্টি গঠন হ'ব। অসম আৰু বঙ্গদেশক লৈ 'গ' সমষ্টি গঠন কৰিব। প্ৰতিটো সমষ্টিৰে এখন নিজস্ব চৰকাৰ থাকিব আৰু নিজৰ বাবে মধ্যমীয়া খাপৰ কাৰ্যপালিকা আৰু বিধায়িনী গঠন কৰি ল'ব লাগিব।

Secede মানে আনুষ্ঠানিকভাৱে কোনো সংগঠনৰ পৰা ওলাই অহাটোকে বুজায়।


আৰম্ভণিতে সকলোবোৰ প্ৰধান পাৰ্টিয়ে এই আঁচনিখন গ্ৰহণ কৰিছিল, কিন্তু চুক্তিখন বেছিদিন নিটিকিল, কাৰণ এইখনক কেন্দ্ৰ কৰি কংগ্ৰেছ আৰু লীগৰ মাজত তীব্ৰ মতবিৰোধ ঘটাত তাক কাৰ্যকৰী কৰিব পৰা নগ'ল। আয়োগে কংগ্ৰেছে বিচৰামতে দেশৰ অখণ্ডতা ৰক্ষা কৰি এহাতে যুক্তৰাষ্ট্ৰীয় শাসনব্যৱস্থা কৰিলে, আনফালে লীগক সন্তুষ্ট ৰাখিবলৈ মুছলমান সংখ্যাগৰিষ্ঠ অঞ্চলসমূহ 'খ' সমষ্টিত ৰাখিলে। লীগে এই গ্ৰুপিং ব্যৱস্থাটো বাধ্যতামূলক হোৱাটো বিচাৰিছিল, কিন্তু কংগ্ৰেছে প্ৰদেশবিলাকক (গ্ৰুপত) সমষ্টিত যোগদান কৰিবলৈ স্বাধীনতা দিয়াটো বিচাৰিছিল। যেই কি নহওঁক, সৰ্বশেষত কংগ্ৰেছ আৰু লীগ কোনেও কেবিনেট মিছনৰ আঁচনি মানিবলৈ সন্মত নহ'ল। এইখিনি সময় অতিশয় জটিল সন্ধিক্ষণৰ সময় হৈ পৰাতো লক্ষ্য কৰিবলগীয়া-কিয়নো এতিয়া বিভাজন প্ৰায় অপৰিহাৰ্য হৈ ধৰা দিছিল আৰু সৰহভাগ কংগ্ৰেছী নেতাই তাকে দেখি অত্যন্ত দুঃখিত হৈছিল যদিও মানি ল'ব লগা হৈছিল।কেৱল মহাত্মা গান্ধী আৰু উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশৰ নেতা খান আব্দুল গফৰ খানে তীব্ৰভাৱে বিভাজন ধাৰণাৰ প্ৰতিবাদ জনাবলৈ আৰম্ভ কৰি দিছিল।

চিত্ৰ, ১৪.৭
১৯৩৮ চনত ভাৰতৰ উত্তৰ-পশ্চিম সীমান্ত প্ৰদেশত মহাত্মা গান্ধীক খান আব্দুল গফৰ খান (সীমান্ত গান্ধী বুলিও জনাজাত) সুশীলা নায়াৰ আৰু আমটুছ চালেমৰ সৈতে।



DailyAssam.Com






মেপ - ১- কেবিনেট মিচনৰ প্ৰস্তাৱ, ভাৰত যুক্তৰাষ্ট্ৰ তিনিটা সমষ্টিৰ সৈতে —

- **মুছলমান বসতিপ্ৰধান অঞ্চল - ১৯৪১ চনৰ**
- **হিন্দু বসতিপ্ৰধান অঞ্চল - ১৯৪১ চনৰ**
- **ৰজাৰ দ্বাৰা শাসিত ৰাজ্যসমূহ যিবোৰ সমষ্টিটোত অন্তৰ্ভুক্ত কৰা নাছিল।**

**উৎস-৫**

**অৰণ্যৰোদন**

মহাত্মা গান্ধীয়ে বুজিব পাৰিছিল যে তেওঁ অৰণ্যত মাত মাতিছে,তথাপিও তেওঁ বিভাজনৰ ধাৰণাটোৰ বিৰোধীতা কৰিবলৈ এৰি দিয়া নাছিল। কিন্তু আজি আমি কিমান দুখলগা পৰিৱৰ্ত্তন দেখিবলৈ পাইছো। মই আশাকৰো এনে এটা দিন আকৌ ঘূৰি আহিব যেতিয়া হিন্দু আৰু মুছলমানসকল পাৰস্পৰিক আলোচনাৰ অবিহনে একো কাম নকৰিব। সেই দিনটো সোনকালে ওচৰ চপাই আনিবলৈ মই কি কৰিব পাৰো, এই প্ৰশ্নটোৱে দিনে-ৰাতিয়ে মোক যন্ত্ৰণা দি আছে। মই লীগক অনুৰোধ জনাইছো তেওঁলোকে যেন এজনো ভাৰতীয়ক শত্ৰজ্ঞান নকৰে... ... ... হিন্দু আৰু মুছলমানসকল একে মাটিতে জন্মগ্ৰহণ কৰিছে, তেওঁলোকৰ একে তেজ, একে খাদ্য গ্ৰহণ কৰে, একে পানী খায় আৰু একে ভাষাতে কথা কয়।

**১৯৪৬ চনৰ ৭ চেপ্তেম্বৰত প্ৰাৰ্থনা সভাত দিয়া ভাষণ**

**CWMG. Vol. 92.P.139**

কিন্তু মোৰ দৃঢ় বিশ্বাস যে মুছলীম লীগে আগবঢ়োৱা ‘পাকিস্থান’ৰ দাবীটো এটা ইছলাম বিৰোধী দাবী আৰু এইটোক পাপী বুলি ক’বলৈ মই অকণো কুণ্ঠাবোধ নকৰো। মানৱ পৰিয়ালৰ একত্ৰীকৰণত হেঙাৰ দিবলৈ নহয়, ইছলামে মানৱ জাতিৰ একতা আৰু ভ্ৰাতৃত্বৰ সপক্ষে থিয় দিয়ে। সেইকাৰণে যিসকলে ভাৰতক খণ্ডিত কৰি সম্ভাব্য যুঁজাৰু শ্ৰেণীত পৰিণত কৰিব খোজে তেওঁলোক ইছলামৰ দৰে আমাৰো শত্ৰু। তেওঁলোকে মোক কাটি টুকুৰা-টুকুৰ কৰিব পাৰে, কিন্তু মই ভুল বুলি ভবা কথাটোত হয়ভৰ দিবলৈ বাধ্য কৰাব নোৱাৰে।

হৰিজন, ২৬ চেপ্তেম্বৰ, ১৯৪৬ CWMG, Vol. 92-Page-229

পাকিস্তান দাবীৰ বিৰোধীতা কৰি গান্ধীজীয়ে কেনে যুক্তি আগবঢ়াইছিল?

DailyAssam.Com





চিত্ৰ ১৪.৮

১৯৪৬ চনৰ আগষ্ট মাহত বিদ্ৰোহীসকলক হাতত লোহাৰ মাৰি আৰু লাঠীৰ সৈতে কলিকতাৰ ৰাজপথত দেখা গৈছে।

## ৩.৭ বিভাজনৰ ফালে ঃ

কেবিনেট মিচনৰ আঁচনিখনৰ প্ৰতি সমৰ্থন উঠাই লোৱাৰ পিছত মুছলীম লীগে পাকিস্থান দাবী সফল কৰিবৰ কাৰণে 'প্ৰত্যক্ষ সংগ্ৰাম' (Direct Action) কৰাৰ সিদ্ধান্ত কৰিলে। ১৯৪৬ চনৰ ১৬ আগষ্টৰ দিনটো 'প্ৰত্যক্ষ সংগ্ৰাম দিৱস' হিচাপে ঘোষণা কৰিলে। সেইদিনা কলিকতাত ব্যাপক অশান্তিৰ সূত্ৰপাত ঘটে। কেবাদিন ধৰি এই হিংসাত্মক কাৰ্য চলিল আৰু কেবা হাজাৰো মানুহৰ মৃত্যু হ'ল। ১৯৪৭ চনৰ মাৰ্চ মানলৈকে হিংসাত্মক কাৰ্য্য উত্তৰ ভাৰতৰ বহু ঠাইলৈ বিয়পি পৰিল।

১৯৪৭ চনৰ মাৰ্চ মাহত কংগ্ৰেছ হাই কমাণ্ডে ভোটগ্ৰহণৰ জৰিয়তে পাঞ্জাবখনক ধৰ্মীয় ভিত্তিত দ্বিখণ্ডিত কৰিবলৈ সিদ্ধান্ত ল'লে, এটা খণ্ড সংখ্যাগৰিষ্ঠ মুছলমানসকলৰ সৈতে আৰু আনটো খণ্ড হিন্দু,শিখ সংখ্যাগৰিষ্ঠসকলৰ সৈতে থাকিব, লগতে এইদৰে খণ্ডিত কৰা ব্যৱস্থাটো বঙ্গদেশৰ ক্ষেত্ৰটো খাটিব বুলি ক'লে। ইতিমধ্যে বহুতো শিখনেতা পাঞ্জাবৰ কংগ্ৰেছীসকলক সংখ্যাৰ হিচাবেৰে এইবুলি সন্মত কৰিছিল যে বিভাজনটো এটা প্ৰয়োজনীয় অপৰাধ অন্যথা সিহঁতে তোমালোকক মুছলমান গৰিষ্ঠতাৰে মষিমূৰ কৰি পেলাব আৰু মুছলমান নেতাসকলৰ সিদ্ধান্তমতে চলিব লাগিব। বেঙ্গলতো এচাম ভদ্ৰলোক বেঙ্গলী হিন্দু, যিসকলে ৰাজনৈতিক ক্ষমতা তেওঁলোকৰ হাতত থকাটো বিচাৰে, মুছলমানসকলৰ 'স্থায়ী আধিপত্য'ৰ আশংকাত ভয় খাবলৈ আৰম্ভ কৰিলে (তেওঁলোকৰ এজন নেতাই কোৱাৰ দৰে)। যিহেতু তেওঁলোক সংখ্যাত কম, তেওঁলোকে অনুভৱ কৰিলে যে প্ৰাদেশিক বিভক্তকৰণেহে তেওঁলোকৰ ৰাজনৈতিক ক্ষমতা লাভৰ আশ্বাস পাব।

**আলোচনা**

পাঠ ৩ ৰ পঠনৰ পৰা এইটো স্পষ্ট হয় যে বিভাজনত কিছুমান উপাদানে সহায় কৰিছিল। এইবিলাকৰ ভিতৰত কোনবিলাকক তুমি বেছি উল্লেখযোগ্য বুলি ভাবা আৰু কিয় ভাবা?

DailyAssam.Com



## ৪. আইন আৰু শৃংখলা উচ্ছেদ ঃ




চিত্ৰ,১৪.৯
১৯৪৬ চনৰ সেই ৰক্তাক্ত মাহৰ দৃশ্য। হিংসা আৰু ঘৰ জ্বলোৱা কাৰ্যৰ ব্যাপকতা। হাজাৰ-হাজাৰ লোকৰ মৃত্যু।

১৯৪৭ চনৰ মাৰ্চ মাহত আৰম্ভ হোৱা ৰক্তস্নান প্ৰায় এবছৰ চলিল। ইয়াৰ এটা প্ৰধান কাৰণ হ'ল শাসনৰ অনুষ্ঠানসমূহৰ স্খলন। সেইসময়ত পেন্দাৰুল মুন (Penderal Moon) নামে ৱাহাবালপুৰ (বৰ্তমান পাকিস্থানত) শাসক এজনে লিখিছিল কেনেকৈ ১৯৪৭ চনৰ মাৰ্চ মাহত অমৃতসৰত গৃহদাহ আৰু হত্যাকাণ্ড চলি থাকোতে পুলিচে আনকি নিজৰ বন্দুকেৰে এটা গুলী চলাবলৈকো অপাৰগ হৈছিল।

অমৃতসৰ জিলাৰ নগৰবিলাকত স্থানীয় প্ৰশাসন সম্পূৰ্ণ পতন ঘটাৰ পিছত প্ৰায় এবছৰকাল ৰক্তাক্ত দৃশ্যসমূহ দেখাপোৱা গৈছিল। বৃটিছ বিষয়াসকলে পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব পৰা নাছিল। তেনে পৰিস্থিতিত সিদ্ধান্ত ল'বলৈ তেওঁলোকে অনিচ্ছা প্ৰকাশ কৰিছিল আৰু হস্তক্ষেপ কৰিবলৈকো কুণ্ঠাবোধ কৰিছিল, যেতিয়া আতংকিত মানুহবিলাকে বৃটিছৰ ওচৰত সহায় ভিক্ষা কৰিছিল তেতিয়া বৃটিছ বিষয়াসকলে তেওঁলোকক মহাত্মা গান্ধী, জৱাহৰলাল নেহৰু, বল্লভ ভাই পেটেল বা মহম্মদ আলি জিন্নাৰ ওচৰলৈ যাবলৈ কৈছিল। কোন কৰ্তৃপক্ষই হুকুম চলাব আৰু শক্তি ব্যৱহাৰ কৰি পৰিস্থিতি নিয়ন্ত্ৰণ কৰিব সেইটো কোনেও নাজানিছিল। মহাত্মা গান্ধীৰ বাদে ভাৰতৰ উচ্চ পৰ্যায়ৰ ৰাজনৈতিক নেতাসকল সেইসময়ত স্বাধীনতা হস্তান্তৰ কামত নিয়োজিত আছিল। ইফালে হিংসাজৰ্জৰিত প্ৰদেশসমূহৰ দায়িত্বত থকা বহুতো ভাৰতীয় অসামৰিক বিষয়াই নিজৰ জীৱন আৰু সম্পত্তি ধ্বংসৰ আশংকাত ক্ষতিগ্ৰস্ত অঞ্চললৈ যাবলৈ ভয় কৰিছিল আনহাতে বৃটিছসকলে ভাৰত ত্যাগ কৰা কামত ব্যস্ত হৈ পৰিছিল।

উৎস - ৬

**বিনা গুলীত জুই**

মুনৰ লেখনিৰ পৰা ... ... ..

এই বৃহৎ বাণিজ্যিক নগৰখনত প্ৰায় চৌবিশ ঘণ্টা ধৰি হিংসাত ব্যস্ত মানুহৰ দলবোৰে একো প্ৰত্যাহ্বান আৰু বাধাৰ সন্মুখীন নোহোৱাকৈ ভয়ানকৰূপে আলোড়িত কৰি ধ্বংসলীলা চলালে। আটাইতকৈ ধুনীয়া বজাৰবিলাক জুইত জ্বলি ছাই হ'ল, তেওঁলোকক আঁতৰাই পঠিয়াবলৈ আনকি এটা বন্দুকৰ গুলী নুফুটিল। জিলাৰ হাকিমে বৃহৎ পুলিচ বাহিনীলৈ নগৰখনত পদ-চালনা কৰিলে আৰু পুলিচক সাৰ্থকভাৱে একো কামত নলগালে।...

সমস্যা আৰু জটিল হৈ পৰিছিল, যেতিয়া ভাৰতীয় সৈনিকসকলে হিন্দু, মুছলীম বা শিখ হিচাবেহে কামলৈ আগবাঢ়িছিল। সাম্প্ৰদায়িক

DailyAssam.Com

অস্থিৰতা বাঢ়ি যোবাৰ লগে লগে বৃত্তিগত পোছাকত থকা সকলৰ আশ্বাসৰ ওপৰত নিৰ্ভৰ কৰিব নোৱাৰা হয়। ভালেমান ঠাইত পুলিচে স্ব-ধৰ্মী লোকক সহায় কৰাটোতেই ক্ষান্ত নাথাকি অন্য সম্প্ৰদায়ৰ লোকক আক্ৰমণ কৰিছিল।

### ৪.১ এজন সাহসী যুঁজাৰু ঃ

এই সকলোবোৰ অশান্তিৰ মাজত সাম্প্ৰদায়িক ঐক্য-সম্প্ৰীতি পুনৰুদ্ধাৰৰ বাবে এজন মানুহৰ সাহসী প্ৰচেষ্টা সফল হৈছিল। ৭৭ বছৰীয়া গান্ধীজীয়ে তেওঁৰ আজীৱন আদৰ্শৰ স্তম্ভ অহিংসাৰ পৰা আঁতৰি নাহিবলৈ লগতে ইয়াক মানুহৰ মাজত প্ৰত্যয় নিয়াবলৈ দৃঢ় সংকল্প ল'লে আৰু তেওঁ গভীৰ বিশ্বাস কৰিছিল যে অহিংসাৰ দ্বাৰা মানুহৰ অন্তৰ পৰিৱৰ্তন কৰিব পাৰি। তেওঁ পূৰ্ববঙ্গৰ নোৱাখালিৰ গাঁওসমূহৰ পৰা (বৰ্তমান বাংলাদেশ), বিহাৰ গাওঁবিলাকলৈ যাত্ৰা কৰিলে আৰু তাৰ পিছতেই কলিকতা আৰু শেষত দিল্লীৰ সংঘৰ্ষ জৰ্জৰিত নগৰৰ বসতি অঞ্চলসমূহত হিন্দু-মুছলমানৰ মাজত হোৱা ভ্ৰাতৃঘাটী সংঘৰ্ষ বন্ধ কৰিবলৈ আৰু সংখ্যালঘুসকলক ভয়ভীত নহ'বলৈ বীৰৰ দৰে প্ৰচেষ্টা আৰম্ভ কৰিলে। ১৯৪৬ চনৰ অক্টোবৰ মাহত পূববঙ্গত মুছলমানসকলে হিন্দুৰ ওপৰত অত্যাচাৰ চলালে, গান্ধীজীয়ে আক্ৰান্ত অঞ্চলসমূহ পৰিদৰ্শন কৰিলে, খোজকাঢ়ি গাওঁসমূহ ভ্ৰমণ কৰিলে আৰু স্থানীয়

চিত্ৰ,১৪. ১০
নোৱাখালিৰ গাওঁবাসীয়ে মহাত্মা গান্ধীক এক্ষন্তেক দেখা পাবলৈ আশাৰে অপেক্ষা কৰিছে।



DailyAssam.Com





চিত্ৰ.১৪.১১
হিংসাজৰ্জৰিত গাওঁ এখনৰ বাসিন্দাসকলে অধীৰ আগ্ৰহেৰে মহাত্মা গান্ধীৰ আগমনলৈ বাট চাই আছে।

মুছলীমসকলক হিন্দুসকলৰ নিৰাপত্তা দান কৰিবলৈ বুজনি দিলে। সেইদৰে অন্য ঠাইবিলাকতো যেনে দিল্লীত তেওঁ দুয়োটা সম্প্ৰদায়ৰ মাজত পাৰস্পৰিক বুজাবুজি আৰু বিশ্বাস গঢ়িবলৈ চেষ্টা চলালে। ছাহিদ আহমেদ ডালভি (Shahid Ahmed Dehlavi) নামে দিল্লীৰ এজন মুছলমান লোক পুৰণি কিল্লাৰ অতিমাত্ৰা জনবসতিপূৰ্ণ এটা লেতেৰা আশ্ৰয়শিবিৰলৈ পলাবলৈ বাধ্য হৈছিল। ১৯৪৭ চনৰ ৯ চেপ্তেম্বৰত মহাত্মা গান্ধীৰ দিল্লী আগমনক ডালভিয়ে বিশেষভাৱে দীঘল আৰু কষ্টকৰ গ্ৰীষ্মকালিৰ পিছত অহা বৰষুণজাকৰ দৰে বুলি কৈছিল। তেওঁ সেই স্মৃতি সুঁৱৰি কৈছিল যে দিল্লীৰ মুছলমানসকলে এজনে আনজনক কোৱাকুই কৰিছিল -"দিল্লীখন এতিয়াহে বাচিব।"

১৯৪৭ চনৰ ২৮ নৱেম্বৰত গুৰু নানকৰ জন্মদিন উপলক্ষে শিচগঞ্জৰ গুৰুদ্বাৰত অনুষ্ঠিত হোৱা শিখসকলৰ সভা এখনত ভাষণ দিবলৈ যাওঁতে গান্ধীজীয়ে লক্ষ্য কৰিলে যে পুৰণি দিল্লীৰ মাজমজিয়াৰ চান্দনী চৌক পথত এজনো মুছলমান লোক নোহোৱা হ'ল। সন্ধিয়া বক্তৃতা প্ৰদান কৰোতে তেওঁ সুধিছিল"চান্দনী চৌকত এজনো মুছলীম লোক নাই-ইয়াতকৈ আমাৰ বাবে আৰু কি লাজৰ কথা হ'ব পাৰে?" পাকিস্থানীৰ দৰে দেখা প্ৰতিজন মানুহকে নগৰৰ পৰা বাহিৰ কৰি উলিয়াইদিব খোজা মনোভাৱ থকা লোকসকলৰ বিৰুদ্ধে যুঁজিবৰ কাৰণে গান্ধীজীয়ে দিল্লীত আৰু কিছুদিন একেৰাহে থাকিল। যেতিয়া মানুহৰ অন্তৰত পৰিৱৰ্ত্তন আনিবলৈ তেওঁ অনশন ব্ৰত আৰম্ভ কৰিলে, তেতিয়া আচৰিত ধৰণে বহু হিন্দু আৰু শিখ প্ৰব্ৰজনকাৰীয়ে তেওঁৰ সৈতে অনশন কৰিছিল।

মৌলানা আজাদে লিখিছিল যে অনশনৰ ফলাফল বিদ্যুৎৰ দৰে হৈছিল। নগৰৰ মুছলীমসকলৰ প্ৰতি ভয়ঙ্কৰ অন্যায় অত্যাচাৰ কৰি ঘোৰতৰ মূৰ্খামীমূলক কাম কৰিছে বুলি মানুহখিনিৰ অনুশোচনা আৰম্ভ হ'ল, কিন্তু তথাপিও গান্ধীজীৰ জীৱন আহুতিয়ে হিংসাৰ এই মৃত্যুলীলা অন্ত পেলাইছিল। সেইসময়ৰ দিল্লীৰ বহুজন মুছলমানে পৃথিৱীৰ অসমানুপাতিক পৰিৱৰ্ত্তনৰ কথা পিছত সুঁৱৰিছিল।

**➲ আলোচনা**
ভাৰত এৰি যোৱাৰ সময়ত বৃটিছসকলে কেনেদৰে শান্তিৰক্ষা কৰিছিল আৰু মহাত্মা গান্ধীয়ে এই সময়ত পৰীক্ষামূলক কি কৰিছিল?

## ৫ Gendering Partition

### ৫.১ মহিলা উদ্ধাৰ Recovering women

বিভাজনৰ সময়ত হোৱা সৰ্বসাধাৰণ মানুহৰ অভিজ্ঞতাসমূহৰ পৰা বুৰঞ্জীবিদসকলে যোৱা ডেৰদশকত চালি-জাৰি চাইছে। সেই হিংসাৰ কালছোৱাত মহিলাসকলৰ হৃদয়বিদাৰক অভিজ্ঞতাবোৰৰ কথা, গৱেষকসকলে লিপিবদ্ধ কৰিছে। মহিলাসকলক ধৰ্ষণ, অপহৰণ আৰু বিক্ৰী কৰা হৈছিল। আনকি বহুসময়ত অচিনাকী পৰিৱেশত অচিনাকী মানুহৰ সৈতে বসবাস কৰিবলৈকো তেওঁলোকক বাধ্য কৰা হৈছিল। তেওঁলোকৰ জীৱনত ঘটা যন্ত্ৰণাদায়ক ঘটনাবোৰৰ বাবে মনত গভীৰ

DailyAssam.Com



আঘাত পাইছিল, কিছুমানে পৰিৱৰ্তিত পৰিবেশত নতুন পৰিয়ালৰ বান্ধোনত নিজকে খাপ খুৱাই লৈছিল। কিন্তু ভাৰত আৰু পাকিস্তানৰ চৰকাৰৰ মানৱিক সম্পৰ্কৰ প্ৰকৃতিৰ প্ৰতি অনুভৱ শক্তি একেবাৰে নাছিল। সীমান্তৰ ইটোপাৰে ভুলক্ৰমে থাকিবলগীয়া হোৱা মহিলাসকলক তেওঁলোকৰ নতুন পৰিয়ালৰ পৰা বলপূৰ্বকভাৱে উলিয়াই আনি পুনৰ পূৰ্বৰ পৰিয়ালৰ ওচৰলৈ বা থকা ঠাইলৈ পঠিয়াই দিছিল। তেওঁলোক নিজৰ জীৱনৰ সিদ্ধান্ত নিজে লোৱাৰ অধিকাৰ ধ্বংস কৰিছিল, আনকি ভুক্তভোগীসকলৰ লগত এই বিষয়ে আলোচনাও নকৰিছিল। ১৯৫৪ চনৰ শেষভাগত সমাপ্ত কৰা এই অভিযানত মুঠতে ৩০,০০০ মহিলাক উদ্ধাৰ কৰা হৈছিল, ইয়াৰে ২২,০০০ মুছলীম মহিলা ভাৰতত আৰু ৮০০ হিন্দু আৰু শিখ মহিলা পাকিস্তানত উদ্ধাৰ হৈছিল।



চিত্ৰ,১৪.১২
পৰিয়ালৰ লোকৰ মৃত্যুৰ খবৰ শুনি এগৰাকীয়ে আনগৰাকী মহিলাক শান্ত্বনা দিছে। হিংসাত্মক ঘটনাত বহুত সংখ্যক পুৰুষৰ মৃত্যু হৈছিল।

উৎস - ৭

## উদ্ধাৰ হোৱা মহিলা মানে কি বুজায়?

"পাঞ্জাবী চেন্সুৰী" উপনিবেশবাদী পাঞ্জাবৰ এখন আত্মজীৱনীমূলক সামাজিক বুৰঞ্জী" নামৰ কিতাপখনত লেখক প্ৰকাশ টেণ্ডনে (Prakash Tandon) এহাল দম্পত্তিৰ অভিজ্ঞতাৰ বিষয়ে লিখিছিল —এটা উদাহৰণ

এজন শিখ যুৱকে বিভাজনৰ সময়ত বলিয়াৰ দৰে দৌৰি গৈ থকা এদল উন্মত্ত লোকৰ হাতৰ পৰা এজনী ধুনীয়া মুছলীম গাভৰু ছোৱালী আঁতৰাই লৈ যাবলৈ সন্মতি আদায় কৰিছিল। পিছত দুয়োজনৰে বিয়া হ'ল আৰু লাহে লাহে দুয়ো দুয়োকো ভাল পাই পেলালে। ক্ৰমান্বয়ে তাই মাক-দেউতাক, যিসকলক হত্যা কৰা হৈছিল পাহৰি পেলালে আৰু তাইৰ জীৱনৰ আগছোৱাৰ কথা মনৰ পৰা মচ খাই যাবলৈ ধৰিলে। তেওঁলোক একেলগে সুখী আছিল আৰু এটা ল'ৰা সন্তানৰ জন্ম হ'ল। যেইকি নহওঁক, সোনকালেই সমাজকৰ্মী আৰু পুলিচে অপহৃত মহিলা গৰাকীক উদ্ধাৰ কৰিবলৈ খুব মনোযোগ দিলে আৰু বহু কষ্টৰ মূৰত দম্পত্তিহালৰ অনুসন্ধান লাভ কৰিলে। পুলিচে জলন্ধৰৰ এটা শিখ পৰিয়ালৰ ঘৰলৈ গৈও অনুসন্ধান চলালে। আগতীয়াকৈ সেই কথা গম পাই শিখ দম্পত্তি কলিকতালৈ পলাল। সমাজকৰ্মীবিলাক পিছে পিছে কলিকতাত উপস্থিত হ'ল। শিখ পৰিয়ালৰ এজন বন্ধুৱে ইতিমধ্যে আদালতৰ পৰা এটা "স্থগিতকৰণ" আদেশ উলিয়াবলৈ যত্ন কৰিলে, কিন্তু আইনী ব্যৱস্থাটো দীঘলীয়া আৰু বলে নোৱাৰা বিধৰ আছিল। উপায়হীন হৈ শিখ দম্পত্তি কলিকতাৰ পৰা পাঞ্জাবৰ এখন অতি ভিতৰুৱা গাঁৱলৈ পলায়ন কৰিলে। তেওঁলোকে ভাবিছিল যে পুলিচে সেই ঠাইত তেওঁলোকৰ ছাঁ পৰ্যন্ত দেখা নাপাব। কিন্তু পুলিচে দুয়োকো ধৰা পেলালে আৰু প্ৰশ্ন কৰিবলৈ ধৰিলে। সেইসময়ত শিখ যুৱকৰ পত্নী দ্বিতীয়বাৰৰ বাবে মাতৃ হ'বলৈ ওলাইছিল আৰু তেওঁ প্ৰসৱৰ দিন আসন্ন আছিল। শিখজনে তেওঁৰ পুতেকক মাকৰ ওচৰলৈ পঠিয়াই দিলে আৰু কুঁহিয়াৰ খেতিৰ পথাৰলৈ ঘৈণীয়েকক লৈ গ'ল। এটা গাঁতত সি ঘৈণীয়েকক যিমান পাৰি সিমান আৰামেৰে ৰাখিলে আৰু নিজ হাতত এটা বন্দুক লৈ পুলিচলৈ অপেক্ষা কৰি ৰ'ল। মনতে ভাবিলে তাৰ জীৱিত অৱস্থাত ঘৈণীয়েকক কেতিয়াও হেৰুৱাব নোখোজে। গাঁতটোত সোমাই সি নিজহাতে ঘৈণীয়েকৰ প্ৰসৱ কৰালে। পিছদিনাৰে পৰা তাইৰ তীব্ৰ জ্বৰ আৰম্ভ হ'ল আৰু তিনিদিন পিছতে তাই মৰি থাকিল। সমাজকৰ্মী আৰু পুলিচে তাইক ধৰি লৈ যোৱাৰ ভয়ত সি তাইক চিকিৎসালয়ত ভৰ্ত্তি কৰিবলৈ সাহস কৰিব পৰা নাছিল।

DailyAssam.Com



### ৫.২ সন্মান সংৰক্ষণ ঃ

অতিশয় শাৰীৰিক আৰু মানসিক দুৰ্যোগৰ সময়ত কেনেকৈ জাতি সন্মান সংৰক্ষণৰ ধাৰণাটোৱে প্ৰাধান্যতা লাভ কৰিলে সেই বিষয়ে গৱেষকসকলে দেখুৱাই দিছে। উত্তৰ ভাৰতৰ কৃষক সমাজত প্ৰচলিত সন্মানৰ ধাৰণাটোৱে হ'ল পুৰুষত্বৰ অনুভৱত মহিলা আৰু মাটিৰ মালিকীস্বত্ব যিটো এক বুজন প্ৰত্নতাত্বিক ধাৰণা বুলি আখ্যা দিয়া হৈছে। জান আৰু জমিন অৰ্থাৎ তিৰোতা আৰু মাটিৰ ওপৰত থকা নিজৰ অধিকাৰ ধৰি ৰখা আৰু বহিৰাগতৰ আত্মসাৎ বা দখল কৰাৰ পৰা ৰক্ষা কৰাটোৱে সেইসময়ত 'পুৰুষত্ব' বুলি সমাজত বিবেচিত হৈছিল। সেইবাবেই এই দুয়োবিধ অধিকাৰলৈ খুব সঘনে সংঘৰ্ষৰ উদ্ভৱ হৈছিল। কেতিয়াবা মহিলাকো ভিতৰুৱাকৈ একেধৰণে মূল্যাংকণ কৰা হৈছিল।

সেইকাৰণে সময় বিশেষত যেতিয়া পুৰুষসকলে ভয় খায় যে তেওঁলোকৰ তিৰোতাবিলাক -পত্নীসকল,কন্যাসকল, ভগ্নীসকলক শত্ৰুৱে ধৰ্ষণ কৰিব পাৰে, তেনে সময়তে তেওঁলোকে মহিলাসকলক নিজেই হত্যা কৰি পেলায়। উৰ্বশী বুটলিয়াই (Urvashi Butulia) তেওঁৰ কিতাপ "The other sid eof silence" "নীৰৱতাৰ অন্য দিশত" ৰাৱালপিণ্ডি জিলাৰ থুৱা খালছাৰ গাওঁ এখনত ঘটা এনেধৰণৰ এটা জঘন্য ঘটনাৰ বিষয়ে বৰ্ণনা কৰিছে —বিভাজনৰ সময়ত এই শিখ গাঁৱখনত ৯০ গৰাকী তিৰোতাই শত্ৰুৰ হাতত পৰাতকৈ এটা কুঁৱাত স্বইচ্ছাৰে জঁপিয়াই মৃত্যুবৰণ কৰিছিল। এই গাওঁৰ পৰা প্ৰব্ৰজন হোৱা শৰনাৰ্থীয়ে দিল্লীৰ এটা গুৰুদ্বাৰত এতিয়াও এই ঘটনাটোক আত্মহত্যা নহয় ধৰ্ম ৰক্ষাৰ্থে হোৱা শ্বহীদ বুলি আখ্যা দি গৌৰৱেৰে সোঁৱৰণ কৰে। সেইসময়ত সেই গাঁৱৰ পুৰুষসকলে মহিলাসকলৰ সিদ্ধান্তটোক সাহসী বুলি গ্ৰহণ কৰিছিল আৰু কিছুমান পৰিস্থিতিত আনকি মহিলাসকলক নিজকে হত্যা কৰিবলৈ বুজনিও দিছিল। প্ৰতিবছৰে ১৩ মাৰ্চৰ দিনটোত যেতিয়া "শ্বহীদ দিৱস" হিচাপে পালন কৰা হয় আৰু তাত পুৰুষ, মহিলা আৰু ল'ৰা-ছোৱালীৰ আগত ঘটনাটোৰ বিৱৰণ দাঙি ধৰা হয়। মহিলাসকলক তেওঁলোকৰ বাই-ভনীসকলৰ সাহসিকতা আৰু আত্মবলিদানৰ বিষয়ে সোঁৱৰণ কৰিবলৈ টানি অনুৰোধ জনোৱা হয় আৰু তেওঁলোকক অনুকৰণ কৰি নিজক গঢ় দিবলৈ উদগণি দিয়ে।

তিষ্ঠি থকা সম্প্ৰদায়ৰ কাৰণে ধৰ্মীয় ঔপচাৰিকতাই স্মৃতি জীয়াই ৰখাত সহায় কৰে। যি কি নহওঁক যিবিলাক ধৰ্মীয় কাৰ্যকলাপ মনত ৰখাৰ প্ৰয়োজন নাই, সেইবিলাক মৰিবলৈ ইচ্ছা নকৰা আৰু ইচ্ছামতেহে মৰিব খোজাসকলৰ কাহিনী।

---

**আলোচনা**

কোনবিলাক ধাৰণাৰ কাৰণে বিভাজনৰ সময়ত ইমানবোৰ নিৰ্দোষী মহিলাৰ দুৰ্ভোগ আৰু মৃত্যু ঘটিছিল?

কিয় ভাৰত আৰু পাকিস্থানী চৰকাৰে তেওঁলোকৰ মহিলাসকলক বিনিময় কৰিবলৈ সন্মত হৈছিল?

তেওঁলোকে এইটো সঠিক কাম কৰিছিল বুলি তুমি ভাবানে?

DailyAssam.Com



## ৬ - আঞ্চলিক ভেদাভেদ

উপমহাদেশখনৰ উত্তৰ-পশ্চিম অংশত থকা সাধাৰণ লোকসকলৰ অভিজ্ঞতাসমূহৰ বিষয়ে এতিয়ালৈকে আমি আলোচনা কৰিছো। বেঙ্গল, উত্তৰ প্ৰদেশ, বিহাৰ,মধ্যভাৰত আৰু দাক্ষিণাত্যত বিভাজন কেনে আছিল? যেতিয়া ১৯৪৬ চনত কলিকতা আৰু নোৱাখলিত হত্যাকাণ্ড সংঘটিত হৈছিল, পাঞ্জাৱত বিভাজন আটাইতকৈ বেছি ৰক্তাক্ত আৰু ধ্বংসাত্মক হৈছিল। পশ্চিম পাঞ্জাবৰ পৰা ভাৰতৰ পূব প্ৰান্তলৈ প্ৰায় সকলোখিনি হিন্দু আৰু শিখ স্থানান্তৰিত হৈছিল আৰু সেইদৰে প্ৰায় সকলো পাঞ্জাবী ভাষী মুছলমান লোক পাকিস্থানলৈ ১৯৪৬ আৰু ১৯৪৮ চনলৈ মাত্ৰ দুবছৰৰ ভিতৰতে ভগনীয়া হিচাবে গৈছিল।

উত্তৰ প্ৰদেশ, বিহাৰ, মধ্যপ্ৰদেশ আৰু অন্ধ্ৰপ্ৰদেশৰ হায়দৰাবাদৰ পৰা বহুতো মুছলমান পৰিয়াল ১৯৫০ চনৰ আৰু ১৯৬০ চনৰ আগছোৱাত পাকিস্থানলৈ প্ৰব্ৰজন কৰিছিল, বহুতে আকৌ ভাৰততে থকাটোকে পছন্দ কৰিছিল। ইয়াৰ মাজৰ বেছিভাগ উৰ্দুভাষী লোক,যিসকলক পাকিস্থানত মুজাহিৰচ (প্ৰব্ৰজনকাৰী) বুলি জনা গৈছিল, সিন্ধু প্ৰদেশৰ কৰাচী হায়দৰাবাদ অঞ্চললৈ যাত্ৰা কৰিছিল।

সীমান্তৰ সুৰুঙাৰে পাৰ হ'বলগীয়া হোৱাত বেঙ্গলত প্ৰব্ৰজনৰ গতি বৰ লেহেমীয়া হৈছিল। ই এইটোকে বুজাইছিল যে বেঙ্গলী বিভাগে গ্ৰহণ কৰা যন্ত্ৰণাদায়ক ব্যৱস্থাটোত কম মনোযোগ দিছিল, যাৰ ফলত মানুহে সহিব নোৱাৰাকৈ কষ্ট ভোগ কৰিব লগা হৈছিল। তদুপৰি পাঞ্জাবৰ নিচিনাকৈ বেঙ্গলত জনসংখ্যা বিনিময় সম্পূৰ্ণ হোৱা নাছিল। বহুত বঙালী হিন্দুৰে পূব-পাকিস্থানত থাকি লৈছিল। তেনেদৰে বহুতো বঙালী মুছলীমে পশ্চিমবঙ্গত থাকিবলৈ লৈছিল। অৱশেষত বেঙ্গলী মুছলীমে (পূব-পাকিস্থানী) সকলে ৰাজনৈতিক কৰ্মপন্থাৰ জৰিয়তে জিন্নাৰ "দ্বি-জাতিতত্ব"টো প্ৰত্যাখ্যান কৰিছিল আৰু পাকিস্থানৰ লগৰ পৰা আঁতৰি আহি ১৯৭১-৭২ চনত বাংলাদেশ গঠন কৰিছিল। ধৰ্মীয় ঐক্যতাই পূব আৰু পশ্চিম পাকিস্থানক একেলগ কৰি ৰাখিব নোৱাৰিলে।

চিত্ৰ,১৪.১৩
বিভিন্ন ঠাইৰ পৰা অহা শৰনাৰ্থীসকলৰ বাবে ১৯৪৭ চনত দিল্লীৰ পুৰণা কিল্লাত স্থাপন কৰা বৃহৎ শৰণাৰ্থী শিবিৰ দেখা গৈছে।



যি কি নহওঁক, পাঞ্জাব আৰু বেঙ্গলৰ অভিজ্ঞতাবোৰৰ ভিতৰত বহু সাদৃশ্য আছিল। দুয়োখন ৰাজ্যত মহিলা আৰু ছোৱালীবিলাক অত্যাচাৰৰ মূল লক্ষ্য হৈ পৰিছিল। দখল কৰা আঞ্চলবিলাকৰ দৰে মহিলাসকলৰ শৰীৰ আক্ৰমণকাৰীয়ে ব্যৱহাৰ কৰিছিল। এটা সম্প্ৰদায়ৰ মহিলাসকলক অসন্মান দেখুওৱাটো এটা জাতিৰ প্ৰতি অসন্মান দেখুওৱাৰ দৰে হৈছিল আৰু ই বিপক্ষৰ প্ৰতি প্ৰতিশোধপৰায়ণ কৰি তুলিছিল।

DailyAssam.Com



## গল্প, কবিতা, চিনেমা

তোমালোকে বিভাজনক লৈ ৰচনা কৰা চুটি গল্প, উপন্যাস, কবিতা আদি পঢ়িছানে? চিনেমা চাইছানে? বুৰঞ্জীবিদসকলৰ কৰ্মৰাজিতকৈ বিভাজন সাহিত্য আৰু চিনেমাই সমগ্র দেশৰ বিভাজনৰ ঘটনাসমূহক অধিক অৰ্ন্তদৃষ্টিৰে দাঙি ধৰিছে। তেওঁলোকে এজন বিশেষ ব্যক্তিক নায়কৰ ৰূপত অথবা সাধাৰণ মানুহৰ সৰু দলৰ জৰিয়তে সেইসময়ৰ মানুহৰ দুখ-যন্ত্ৰণাৰ কথা প্ৰকাশ কৰিবলৈ বিচাৰে,যিবিলাক মানুহৰ জীৱনত বিভাজনে গভীৰ ৰেখাপাত কৰি নতুন ৰূপ দিছে, অথচ সেইবিলাকৰ ওপৰত তেওঁলোকৰ কোনো নিয়ন্ত্ৰণ শক্তি নাই। তেওঁলোকৰ যাতনা বিলাক আৰু সময়ৰ অস্পষ্টতাখিনি আৰু বহুতে সংঘৰ্ষত সন্মুখীন হোৱা বুজিব নোৱাৰা বাচনিখিনি মনত ৰাখিছে। তেওঁলোকে হিংসাৰ নিৰিখ আৰু আয়তনৰ আঘাট আৰু বিবুদ্ধি কৰ মানৰ ... আৰু বঞ্চিতকৰণ কাৰ্যসমূহ লিপিবদ্ধ কৰি ৰাখিছে। তেওঁলোকে আমাৰ কথাও কয় আৰু মানুহে বিপদ পাৰ কৰিব পৰা উপায়ৰ বিষয়ে জনায়।

বিশিষ্ট উৰ্দু চুটিগল্প লেখক চাদাট হাছান মণ্টুৱে তেওঁৰ কামৰ বিষয়ে এনেদৰে ক'ব খোজে —

"বহুদিনলৈকে মই বিপ্লৱৰ ফলাফল, যিটোৱে দেশখনৰ বিভাজন ঘটাইছিল, মানিবলৈ অস্বীকাৰ কৰিছিলো। মই এতিয়াও সেই একেই অনুভৱ কৰোঁ,কিন্তু শেষত মই উপলব্ধি কৰিছো যে আত্ম মৰম (Self pity) বা হতাশ নোহোৱাকৈ এই দুঃস্বপ্নৰ দৰে সত্যটো মই মানি ল'বই লাগিব। কাৰ্যপ্ৰণালীটো মই, এই মানুহে সৃষ্টি কৰা তেজৰ সাগৰ, এটা বিৰল আৰ্তনাদৰ মুকুতা পুনৰ উদ্ধাৰ কৰাৰ চেষ্টা কৰিছিলো—একক মনৰ উৎসৰ্গাৰ বিষয়ে, যিটোৰ সৈতে মানুহে মানুহক হত্যা কৰিছিল, সিহঁতৰ কিছুমানে অনুশোচনা কৰা অনুতাপৰ বিষয়ে আৰু হত্যাকাৰীসকলৰ ঢাক খাই যোৱা চকুৰ পানীৰ বিষয়ে যিসকল হত্যাকাৰীয়ে বুজিব পৰা নাছিল -কিয় এতিয়াও তেওঁলোকৰ কিছুমান মানৱ অনুভূতি বাদ পৰি গৈছে। লিখা লিখনীৰ দ্বাৰা এই সকলোবিলাক আৰু বহুতো মোৰ কিতাপ "চিয়া হাচিয়া'ত উপস্থাপন কৰিছো"(Siyah-Hashiya)

বিভাজনৰ ওপৰত লিখা সাহিত্য আৰু চিনেমাবিলাক বিভিন্ন ভাষাত যেনে হিন্দী, উৰ্দু, পাঞ্জাবী, সিন্ধি, বেঙ্গলী, আসমীয়া আৰু ইংৰাজীত দেখা যায়। তোমালোকে মণ্টুৰ দৰে লিখনি পঢ়িবলৈ ইচ্ছা কৰিলে ৰাজীন্দৰ সিং বেদী (উৰ্দু) ইনচিজাৰ হুছেইন (উৰ্দু) ভীশাম চাহানি (হিন্দী), কমলেশ্বৰ (হিন্দী), ৰাহী মাচুম ৰাজা (হিন্দী), নাৰায়ণ ভাৰতী (সিন্ধি), সন্ত সিং শিখন (পাঞ্জাবী), নৰেন্দ্ৰ নাথ মিশ্ৰ (বেঙ্গলী), চেয়দ ৱালিউল্লাহ (বেঙ্গলী), লালিথাম্বিকা অন্থাৰজানম (মালায়লম), অমিতাভ ঘোষ (ইংলিছ) আৰু বাপসি সিধৱা (ইংৰাজী) আদিকিতাপসমূহ পঢ়িব পাৰা। অমৃতা প্ৰীতম, ফাইজ আহমেদ পাইজ আৰু দীনেশ দাসে বিভাজনৰ ওপৰত ক্ৰমে পাঞ্জাবী, উৰ্দু আৰু বেঙ্গলীত স্মৰণীয় কবিতা ৰচনা কৰিছে। ঋত্বিক ঘটকৰ (মেঘে ঢাকা তাৰা আৰু সুবৰ্ণ ৰেখা), এম.এছ. ছাথুৰ (গৰম হাৱা), গোবিন্দ নিহলানীৰ চিনেমা (তমস) আৰু হাবিব তনবীৰে পৰিচালনা কৰা এখন নাটক যিজনে লাহোৰ দেখা নাই তেওঁৰ জন্মই হোৱা নাই He Who Has Not Seen Lahore, Has Not Been Born চাব পাৰা।

**আলোচনা ঃ**

তুমি থকা ৰাজ্য বা তোমাৰ ওচৰ-চুবুৰীয়া কোনোবা ৰাজ্যত বিভাজনৰ প্ৰভাৱ পৰিছিল নে? সেই অঞ্চলৰ মুনিহ আৰু তিৰোতাৰ জীৱনত ইয়াৰ প্ৰভাৱ কেনেদৰে পৰিছিল আৰু তেওঁলোকে পৰিস্থিতি কেনেদৰে চম্ভালিছিল?

DailyAssam.Com

## ৭ সাহার্য, মানৱতা, ঐক্যতা ঃ

হিংসাৰ আবৰ্জনাত পোত যোৱা আৰু বিভাজনৰ যন্ত্ৰণা হ'ল সহায়, মানৱতা আৰু ঐক্যতাৰ অপৰ্যাপ্ত বুৰঞ্জী। বহুতো বৰ্ণনাত যেনে— আব্দুল লতিফৰ চোকা নথি-পত্ৰ, যিটোৰ পৰা আমি এই কথা প্ৰকাশ কৰিছো বুৰঞ্জীবিদসকলে বহুসংখ্যক কাহিনী আবিষ্কাৰ কৰিছে যি বিলাকত বিভাজনৰ সময়ত কেনেকৈ এজন মানুহে আনজনক সহায়, পৰিচৰ্যা কৰিছিল। সুখ-দুখৰ সমভাগী, নতুন সুযোগসমূহৰ আৰম্ভণি আৰু আঘাতৰ ওপৰত বিজয়ৰ কাহিনী প্ৰকাশ পাইছিল।

উদাহৰণস্বৰূপে -ধৰমপুৰত (বৰ্তমান হিমাচল প্ৰদেশত) চাকৰি কৰা যক্ষ্মাৰোগৰ বিশেষজ্ঞ চিকিৎসক খুশডেৱ সিঙৰ কথাকেই ধৰা হওক। দিনে-ৰাতিয়ে নিজৰ কামত একান্তভাৱে আত্মনিয়োগ কৰি ডাক্তৰজনে বহুসংখ্যক মুছলিম,হিন্দু, শিখ আদি প্ৰব্ৰজনকাৰীক অতুলনীয় দুষ্প্ৰাপ্য মানৱ সেৱা, আহাৰ, আশ্ৰয় আৰু নিৰাপত্তা আগবঢ়াইছিল। গান্ধীজীৰ পৰা দিল্লীৰ মুছলীম আৰু অন্যান্যসকলে লাভ কৰা সেৱাৰ দৰেই ধৰমপুৰৰ বাসিন্দাসকলৰ মনতো ডাক্তৰজনৰ মানৱতা আৰু দানশীলতাৰ গুণত বিশ্বাস আৰু আস্থা বাঢ়ি গৈছিল। তাৰে মাজৰ এজন মহম্মদ ওমৰে ডাঃ খুশদেৱ সিঙলৈ চিঠি লিখিছিল - নম্ৰতাৰে মই বিনীতভাৱে জনাও যে আপুনিপ্ৰদান কৰা নিৰাপত্তাৰ বাহিৰে আন কতো মই নিৰাপদ অনুভৱ নকৰো, গতিকে দয়াশীল হৈ আপোনাৰ হস্পিতালত মই থাকিবলৈ এখন আসনৰ বাবে অনুমোদন জনায় যেন।"

"প্ৰেম ঘৃণাতকৈ শক্তিশালী"—১৯৪৭ ৰ এক সোঁৱৰণী, Love is stranger than Hate - A Rememebrance of 1947 -তেওঁৰ এটা স্মৃতিচাৰণৰ পৰা আমি এই ডাক্তৰজনৰ কষ্টকৰ সাহাৰ্যৰ কাৰ্যৰ বিষয়ে জানিব পাৰো, ইয়াত সিঙে তেওঁৰ অভিজ্ঞতাৰ কথা এনেদৰে বৰ্ণনা কৰিছে—"এজন মানুহ হিচাবে আন মানুহৰ প্ৰতি কৰিবলগীয়া মোৰ কৰ্ত্তব্য পালন কৰিবলৈ মই নম্ৰভাৱে চেষ্টা কৰিছিলো।" তেওঁ ১৯৪৯ চনত কৰাচীলৈ কৰা এটা যাত্ৰাৰ কথা উষ্ণতাৰে কৈছিল -"বৃদ্ধ বন্ধুকেইজনমান আৰু অন্য কেইজনমানে

উৎস - ৮

### এটা সৰু আঙুৰৰ খৰাহী

১৯৪৯ চনত খুশদেৱ সিঙে তেওঁৰ কৰাচীলৈ যোৱাৰ সময়ত হোৱা অভিজ্ঞতাৰ বিষয়ে লিখা ঘটনাটো ইয়াত বৰ্ণনা কৰা হ'ল —

"মোৰ বন্ধুবৰ্গই মোক বিমানকোঠৰ এটা কোঠালৈ লৈ গ'ল, য'ত আমি সকলোৰে বহি কথা-বতৰা পাতিছিলো ... ... ... আৰু একেলগে দিনৰ আহাৰ গ্ৰহণ কৰিলো। মই পুৱা ২-৩০ ত কৰাচীৰ পৰা লণ্ডনলৈ যাত্ৰা কৰিবলগীয়া আছিল ... ... ... আবেলি ৫ বজাত ... মই মোৰ বন্ধুসকলক ক'লো যে তেওঁলোকে বৰ উদাৰভাৱে তেওঁলোকৰ সময়খিনি মোক উপভোগ কৰালে। মই ভাবিছিলো গোটেই ৰাতি এইদৰে অপেক্ষা কৰা আৰু বাৰ্ত্তালাপ কৰি কটোৱাটো নিশ্চয় তেওঁলোকৰ বাবে যথেষ্ট আমনিদায়ক হ'ব আৰু এই আমনিখিনি তেওঁলোকে ল'বই লাগিব বুলি ভাবিছিল, কিন্তু ৰাতিৰ আহাৰ খোৱাৰ সময়লৈকে কোনো গুচি নগ'ল। তাৰপিছত তেওঁলোকে কৈছিল ... ... ... তেওঁলোক যাবগৈ,কাৰণ যোৱাৰ আগতে মই কিছু জিৰণি লোৱা দৰকাৰ...। মই পুৱা ১ বাজি ৪৫ মিনিটত শোৱাৰ পৰা উঠিলো আৰু যেতিয়া মই দুৱাৰখন মেলিলো তেতিয়া দেখিলো যে তেওঁলোক আটাইবোৰ তেতিয়াও তাতে আছে। ... তেওঁলোক আটায়ে বিমান যোৱলৈকে মোক লগ দিলে আৰু এৰাএৰি হোৱাৰ আগতে মোক সৰু এখৰাহী আঙুৰ উপহাৰ দিলে। তেওঁলোকৰ কাতৰ মৰম, যিটোৰ দ্বাৰা মোক এই বিৰতি সময়খিনি আনন্দেৰে কটাবলৈ সুবিধাকণ দিলে, তাৰবাবে মোৰ কৃতজ্ঞতা জনাবলৈ কোনো ভাষা নাছিল।



চিত্ৰ, ১৪.১৪

শৰনাৰ্থী আবাসৰ সকলোবোৰ শিবিৰ অসংখ্য মানুহেৰে ভৰি পৰিছে, যিসকলক আহাৰ আৰু আশ্ৰয়েই নহয়, প্ৰেম আৰু কৰুণাৰ আৰশ্যক

DailyAssam.Com

**আলোচনা**

বিভাজনৰ সময়ত এজনে আনজনক কেনেদৰে সহায় কৰিছিল আৰু জীৱন ৰক্ষা কৰিছিল, সেইবিষয়ে আৰু অধিক তথ্য বিচাৰি উলিওৱা।

যিসকলক তেওঁ ধৰমপুৰত সহায় আগবঢ়াইছিল, কৰাচী বিমানবন্দৰত কেইঘণ্টামান সময় তেওঁৰ সৈতে কটাইছিল। আগৰে পৰা চিনাকী থকা ৬ জন পুলিচৰ কনিষ্টবল তেওঁৰ লগত প্লেনলৈকে খোজকাঢ়ি গৈছিল আৰু প্লেনত প্ৰৱেশ কৰাৰ সময়ত তেওঁক চেলুট (salute) দিছিল। মই প্ৰত্যুত্তৰত দুচকুত চকুপানীলৈ হাত জোকাৰি তেওঁলোকক মোৰ অভিবাদন জনাইছিলো।”

### ৮. মৌখিক (মুখে মুখে চলি অহা) তথ্যসমূহ আৰু বুৰঞ্জী ঃ

তোমালোকে বিষয়বস্তু সমূহৰ পৰা টোকা সংগ্ৰহ কৰিছানে, যিটোৰ পৰা বিভাজনৰ ইতিহাস এই অধ্যায়টোত ৰচনা কৰা হৈছে। বিভাজনৰ সময়ত সাধাৰণ মানুহৰ দুখ-যন্ত্ৰণাৰ কথাসমূহৰ বিষয়ে মুখে মুখে বাগৰি অহা কাহিনী, ঘটনাৰ বিষয়ে লিখিত ডায়েৰী (দিনপঞ্জী) পৰিয়ালৰ বুৰঞ্জী, প্ৰথম লিখনি টোকা -ইত্যাদিয়ে আমাক দেশ বিভাজনৰ কথা জনাত সহায় কৰে। লাখ-লাখ মানুহে বিভাজনক এক দুঃসহ যন্ত্ৰণা আৰু সময়ৰ প্ৰত্যাহ্বান বুলি ক'ব বিচাৰে। তেঁলোকৰ মতে এইটো মাত্ৰ সাংবিধানিক বিভাগকৰণ অথবা মুছলীম লীগৰ কুটিল ৰাজনীতি অথবা কংগ্ৰেছ আৰু অন্যান্যসকলৰ দলীয় ৰাজনীতি নহয়। তেওঁলোকৰ মতে ই ১৯৪৬ চন আৰু ১৯৫০ আৰু তাৰ পিছলৈকে মানুহৰ জীৱনত অভাৱনীয়ভাৱে অনা পৰিবৰ্তন, য'ত মনোবিজ্ঞান সম্বন্ধীয় আবেগ আৰু সামাজিক সমিলমিল প্ৰয়োজনীয় হৈ পৰিছিল। জাৰ্মানীৰ ধ্বংসযজ্ঞৰ দৰে আমি বিভাজনক সৰলভাৱে এটা ৰাজনৈতিক ঘটনা বুলি গ্ৰহণ কৰা উচিত নহ'ব, কিন্তু ইয়াত জীয়াই থকা মানুহবিলাকৰ মনোভাৱৰ লগতে সামঞ্জস্য ৰাখিব লাগিব। লিখিত টোকা আৰু অভিজ্ঞতাবিলাকে ঘটনা এটাৰ প্ৰকৃত ৰূপ গঢ় দিয়ে।

ব্যক্তিগত স্মৃতিৰ অন্যতম শক্তিশালী উপাদান হ'ল -মৌখিক উৎস। ই আমাক বহলভাৱে অভিজ্ঞতা আৰু স্মৃতিবোৰ বুজাত সহায় কৰে। ই বিভাজনৰ দৰে ঘটনাৰ সময়চোৱাত মানুহৰ কি অৱস্থা হৈছিল, সেই বিষয়ে সবল আৰু সঠিকভাৱে বিস্তাৰিত বুৰঞ্জী লিখিবলৈ বুৰঞ্জীবিদসকলক তথ্য যোগায়। চৰকাৰী নথি-পত্ৰৰ পৰা এনেধৰণৰ বাৰ্ত্তা বা তথ্য বিচাৰি উলিওৱাটো একপ্ৰকাৰ অসম্ভৱ কথা। চৰকাৰী তথ্যসমূহে ইয়াৰ নীতি-নিৰ্দেশনা,দলীয় বিষয় আৰু বেলেগ বেলেগ ৰাজ্যই পোষকতা কৰা আঁচনিসমূহ পৰিচালনা কৰে। বিভাজনৰ ক্ষেত্ৰত চৰকাৰী ৰিপৰ্ট আৰু টোকাবহীসমূহ তেনেদৰে ইয়াৰ উচ্চশ্ৰেণীৰ কাৰ্যবাহী বিষয়াসকলৰ ব্যক্তিগত লিখনিসমূহে ভাৰতৰ ভৱিষ্যতৰ আৰু শৰনাৰ্থীসকলৰ পুৰ্নসংস্থাপনৰ ওপৰত প্ৰধান ৰাজনৈতিক দলসমূহ আৰু বৃটিছৰ মাজত হোৱা মীমাংসাৰ বিষয়ে প্ৰচুৰ আলোকপাত কৰে। যেইকি নহওঁক সেইবিলাকে চৰকাৰৰ দেশ দ্বিখণ্ডিত কৰাৰ সিদ্ধান্তৰ ফলত দিনৰ পিছত দিনে দুৰ্ভোগ ভোগা লোকসকলৰ অভিজ্ঞতাৰ বিষয়ে খুব কমেই তথ্য দিয়ে।

পাহৰণিতে থাকি যোৱা দুখীয়া আৰু ক্ষমতাহীন লোকসকলৰ অভিজ্ঞতাসমূহ পুনৰুদ্ধাৰ কৰি মৌখিক বুৰঞ্জীৰ জৰিয়তে বুৰঞ্জীবিদসকলে তেওঁলোকৰ লিখনিসমূহৰ পৰিসৰ বহল কৰিবলৈ সুযোগ লাভ কৰে। উদাহৰণস্বৰূপে সেইবিলাকৰ মাজৰে —আব্দুল লতিফৰ দেউতা, থুৱা

খালাছাৰ মহিলাসকল, ঘেঁহু খুচুৰা দৰত ক্ৰয় কৰি মুঠ দৰত বিক্ৰী কৰা শৰনাৰ্থী, অভাৱ পূৰণৰ বাবে ঘেঁহু অহা মৰাপাটৰথৈলা বিক্ৰী কৰি শোচনীয়ভাৱে জীৱন নিৰ্বাহ কৰা ক্ষুদ্ৰ বেপাৰী, বিহাৰৰ ৰাস্তা নিৰ্মাণ কাৰ্যত দুগুণ পৰিশ্ৰম কৰি কুঁজা হৈ পৰা মধ্যবিত্ত শ্ৰেণীৰ বঙালী বিধবাগৰাকী, পেচোৱাৰৰ পৰা ভাৰতলৈ প্ৰব্ৰজন হৈ অহা এজন বেপাৰী যিজনে ভাবিছিল কটকলৈ গৈ এটা সামান্য চাকৰি পোৱাটো আচৰিত কথা আছিল, কিন্তু তেওঁ সুধিছিল —"কটক ক'ত? এইখন হিন্দুস্থানৰ উজনিৰ ফালে নে নামনিৰ ফালে? পেছোৱাৰত থাকোতে আমি ঠাইখনৰ কথা শুনাই নাছিলো?"

এইদৰে অৱস্থাপন্ন আৰু বিখ্যাত লোকৰ ক্ৰিয়াই সৃষ্টিকৰা বিভাজনৰ মৌখিক বুৰঞ্জীৰ পিছতে সেই পুৰুষ আৰু মহিলাসকলৰ , যাৰ স্থিতি এই পৰ্যন্ত আওকাণ কৰি থকা হৈছে, অভিজ্ঞতাৰ সন্ধান নিশ্চিত কৰিছে বা অকল মূলসুঁতিৰ বুৰঞ্জীত উনুকিয়াইছে। এইটো বৈশিষ্ট্যপূৰ্ণ। কাৰণ আমি পঢ়া বুৰঞ্জীয়ে অতীতত বেছি সংখ্যক মানুহৰ জীৱন আৰু কাম স্বতঃস্ফুৰ্ত নহয় বা দৰকাৰী নহয় বুলি বিবেচনা কৰে।

তথাপিও বহুত বুৰঞ্জীবিদে এতিয়াও মৌখিক বুৰঞ্জীৰ বিষয়ে সন্দেহ প্ৰকাশ কৰে। তেঁওলোকে যুক্তি দৰ্শাই যে ইয়াত মৌখিক সত্যতা আৰু কাৰ্যক্ৰমণিকাৰ অভাৱ ঘটা দেখা যায় আৰু যিবিলাক তথ্য দাঙি ধৰে সেইবিলাকও কেতিয়াবা স্পষ্ট নহয়। বুৰঞ্জীবিদসকলে আৰু যুক্তি দৰ্শাই কৈছে যে ব্যক্তিগত অভিজ্ঞতাবোৰ একক হোৱা কাৰণে সমূহীয়া পটভূমিত গ্ৰহণ কৰিবলৈ অসুবিধা হয় আৰু একক ঘটনাই ডাঙৰ ঘটনাৰ ছবি প্ৰতিফলিত কৰিব নোৱাৰে। এক সাক্ষী, সাক্ষী নহয়।

তেওঁলোকে ভাবে যে মৌখিক টোকাই সম্পূৰ্ণ তথ্যসমূহৰ এটা ক্ষুদ্ৰ অংশহে প্ৰকাশ কৰিব পাৰে, সেইবাবে বুৰঞ্জী প্ৰস্তুতকৰণৰ বৃহৎ আৰু দীঘলীয়া প্ৰক্ৰিয়াত কম পৰিমাণে সোঁৱৰণত থকা সৰু ব্যক্তিগত অভিজ্ঞতাবোৰে সহায় কৰিব নোৱাৰে।

যেই কি নহওঁক, ভাৰতত বিভাজন আৰু জাৰ্মানীত ধ্বংসযজ্ঞৰ ঘটনাবিলাকত বহুসংখ্যক মানুহে ভোগ কৰা বিভিন্ন প্ৰকাৰৰ যন্ত্ৰণাৰ বিষয়ে বেলেগ বেলেগ তথ্যৰ অভাৱ নহয়। সেইকাৰণে ঘটনাৰ গতি নিৰ্ণয় কৰিবলৈ আৰু ব্যতিক্ৰমবিলাক আঙুলিয়াই দিবলৈ যথেষ্ট প্ৰমাণিত তথ্য পোৱা যায়। মৌখিক বা লিখিতভাৱে প্ৰকাশ কৰা তথ্যসমূহক আন আন উৎসৰ পৰা সংগৃহীত তথ্যৰ লগত তুলনা কৰি সেইবিলাকত অন্তৰ্নিহিত হৈ থকা অমিলখিনিৰ বিষয়ে সতৰ্কতা অৱলম্বন কৰি বুৰঞ্জীবিদসকলে লাভ কৰা তথ্যসমূহৰ নিৰ্ভৰযোগ্যতা নিৰূপণ কৰিব পাৰে। ইয়াৰ উপৰি বুৰঞ্জীয়ে যদি সাধাৰণ আৰু শক্তিহীনসকলৰ কাহিনীক অন্তৰ্ভুক্ত কৰে, তেন্তে বিভাজনৰ মৌখিক বুৰঞ্জীৰ আকাৰ ক্ষুদ্ৰ হৈ নাথাকিব। ই প্ৰকাশ কৰা অভিজ্ঞতাবোৰৰ মূল কাহিনীভিত্তিক হ'ব লাগে, যিমান দূৰলৈকে মৌখিক উৎসসমূহ অন্য উৎসসমূহ পৰীক্ষা কৰাৰ বাবে আৰু ইটোৱে সিটোৰ পৰীক্ষাৰ বাবে ব্যৱহাৰ কৰা উচিত, তেতিয়ালৈকে ইয়াৰ লগত সম্বন্ধ থকা অভিজ্ঞতাসমূহ তথ্যকেন্দ্ৰিক হ'ব। বেলেগ বেলেগ প্ৰকাৰৰ প্ৰশ্নসমূহৰ উত্তৰ দিবলৈ বেলেগ বেলেগ প্ৰকাৰৰ তথ্য বাণীবদ্ধ কৰিবলগীয়া হয়। উদাহৰণস্বৰূপে চৰকাৰী নথি-পত্ৰবিলাকে ভাৰত আৰু পাকিস্থানে বিনিময় কৰা অপহৃত মহিলাৰ সংখ্যাহে জনাব পাৰিব, কিন্তু সেই মহিলাসকলে ভোগ কৰা যন্ত্ৰণাৰ বিষয়ে তেওঁলোকেহে কেৱল আমাক জনাব পাৰিব।

DailyAssam.Com

যেই কি নহওঁক, আমি নিশ্চিতভাৱে অনুভৱ কৰিব লাগিব যে বিভাজন সম্বন্ধে মৌখিক তথ্যবোৰ স্বতঃস্ফূৰ্তভাৱে সহজলভ্য নহয়। কৌশলেৰে আৰু সহানুভূতিৰে সাক্ষাৎকাৰ গ্ৰহণ কৰি তেনেধৰণৰ তথ্য লাভ কৰিব পৰা যায়। এইক্ষেত্ৰত সন্মুখীন হ'ব পৰা প্ৰথম অসুবিধাটো হৈছে যে নিজৰ একান্ত ব্যক্তিগত কথাবোৰ বিশেষ ব্যক্তিয়ে জনাব নুখুজিব পাৰে। উদাহৰণস্বৰূপে —এজনী ধৰ্ষিতা নাৰীয়ে তেওঁৰ দুখৰ কাহিনী এজন অচিনাকী মানুহক ক'বলৈ বিচাৰিব জানো? সাক্ষাৎগ্ৰহণকাৰীয়ে কেতিয়াবা ব্যক্তিগত দুৰ্ঘটনাৰ বিষয়ে অনুসন্ধানমূলক প্ৰশ্নসমূহ এৰাই চলিব লগা হয়। তেওঁলোকে গভীৰ আৰু অৰ্থব্যঞ্জক তথ্য লাভ কৰিবলৈ হ'লে পোনতে সাক্ষাৎ দিওঁতাগৰাকীৰ লগত এটা অনুকূল বাতাবৰণ সৃষ্টি কৰি ল'ব লগা হয়। ইয়াৰ পিছৰ সমস্যাটো হ'ল স্মৃতিৰ গভীৰতা। বহুআগেয়ে ঘটি যোৱা এটা ঘটনাৰ অভিজ্ঞতা কেবাদশকৰ পিছত যদি মানুহক সোধা হয় বা সাক্ষাৎ গ্ৰহণ কৰা হয় তেতিয়া তেওঁলোকৰ কিমানখিনি মনত থাকিব? অথবা পাহৰি পেলাব, এইটো নিৰ্ভৰ কৰে সেইসময়ত তেওঁলোকৰ সম্প্ৰদায় আৰু দেশত ঘটা ঘটনাসমূহে তেওঁলোকৰ জীৱনৰ ওপৰত কেনেধৰণে প্ৰভাৱান্বিত কৰিছে সেই অভিজ্ঞতাসমূহৰ ওপৰত। মৌখিক বুৰঞ্জীবিদসকলে বিভাজন প্ৰকৃত অভিজ্ঞতাসমূহ পাহৰণিৰ গৰ্ভত হেৰাই যাব খোজা স্মৃতিৰে তৈয়াৰ কৰা তথ্যজালৰ পৰা ভালদৰে বাচনি কৰি লোৱাৰ গধুৰ বোজাৰ সন্মুখীন হ'ব লগা হয়।

সকলো পৰ্যালোচনাৰ অন্তত আমি দেখিবলৈ পাইছো যে বিভাজনৰ সকলো প্ৰকাৰৰ বিৱৰণ যুগুতাবলৈ বহুতো বিস্তৃত সমল ব্যৱহাৰ কৰা হৈছে। গতিকে এইটো এটা ঘটনা বা ধাৰা হিচাবে নহয়, সেই আতঙ্কিত দুঃখজনক সময়ত বাস কৰা লোকসকলৰ অভিজ্ঞতাসমূহ বুজিবলৈ চেষ্টা কৰিব লাগিব।

**চিত্ৰ,১৪.১৫**
গৰুগাড়ী আৰু খোজকাঢ়ি যাব নোৱাৰাজন ... ... ...



DailyAssam.Com



## সময়ৰেখা

| | |
|---|---|
| 1930 | উৰ্দ্দু কবি মহম্মদ ইকবালে এখন "উত্তৰ-পশ্চিম ভাৰতীয় মুছলীম ৰাজ্য" (North West Indian Muslim State ভাৰতীয় যুক্তৰাষ্ট্ৰৰ ভিতৰত এখন একক টিলা স্বায়ত্ত্ব শাসিত গোট হিচাবে দৰকাৰ বুলি কৈছে। |
| 1933 | কেম্ব্রিজ বিশ্ববিদ্যালয়ত চৌধুৰী ৰহমত আলি নামৰ এজন পাঞ্জাবী মুছলীম ছাত্ৰই পাকিস্থান বা পাক-ষ্টান নামটো মনেৰে ভাবি উলিয়াইছিল। |
| 1937-39 | বৃটিছ ভাৰতৰ এঘাৰখন প্ৰদেশৰ ভিতৰত সাতখনত কংগ্ৰেছ মন্ত্ৰীসভা গঠন হ'ল। |
| 1940 | মুছলীম বসতিপ্ৰধান অঞ্চলসমূহত স্বায়ত্ত্ব শাসন বিচাৰি লাহোৰত মুছলীম লীগে এটা প্ৰস্তাৱ গ্ৰহণ কৰে। |
| 1946 | প্ৰদেশসমূহত নিৰ্বাচন অনুস্থিত হ'ল। সাধাৰণ সমষ্টিবিলাকত কংগ্ৰেছে বিপুল জয় লাভ কৰিলে। |
| March to June | মুছলীমৰ আসনসমূহত লীগেও সমানে জয়লাভ কৰাটো পৰিলক্ষিত হ'ল। |
| August | পাকিস্থান লাভ কৰিবলৈ মুছলীম লীগে "প্ৰত্যক্ষ সংগ্ৰাম" আৰম্ভ কৰিবলৈ সিদ্ধান্ত ল'লে। |
| 16 August | কলিকতাত হিন্দু-শিখ আৰু মুছলমানৰ মাজত হিংসাৰ সূত্ৰপাত হয়। এই হিংসাকাৰ্য কেবাদিনলৈ চলে আৰু ইয়াত কেইবাহাজাৰো লোকৰ মৃত্যু হয়। |
| March 1947 | কংগ্ৰেছৰ হাইকমাণ্ডে পাঞ্জাৰখন মুছলীম বসতিপ্ৰধান আৰু হিন্দু-শিখ বসতিপ্ৰধান অঞ্চলৰ আধা আধা কৰি ভাগ কৰাৰ কাৰণে ভোট দিয়ে আৰু সেই একে নীতি বঙ্গদেশৰ কাৰণেও প্ৰয়োগ কৰিবলৈ আহ্বান জনায়। বৃটিছে ভাৰত এৰিবলৈ আৰম্ভ কৰিলে। |
| 14-15August 1947 | পাকিস্থান গঠন হ'ল। ভাৰতে স্বাধীনতা লাভ কৰিলে। সাম্প্ৰদায়িক ঐক্য পুনৰুদ্ধাৰৰ বাবে মহাত্মা গান্ধীয়ে পূৰ বঙ্গৰ নোৱাখালিলৈ ভ্ৰমণ কৰিলে। |

## ১০০-১৫০ শব্দৰ ভিতৰত উত্তৰ দিয়া

1. 1940 চনত গ্ৰহণ কাৰ প্ৰস্তাৱৰ জৰিয়তে মুছলীম লীগে কি দাবী জনাইছিল?
2. কিছুমান মানুহে কিয় বিভাজনক এটা হঠাৎ উদ্ভৱ হোৱা ঘটনা বুলি ভাবিছিল?
3. সাধাৰণ মানুহে বিভাজনক কিদৰে দৃষ্টিপাত কৰে?
4. বিভাজনৰ বিৰুদ্ধে মহাত্মা গান্ধীৰ কি মত আছিল?
5. দক্ষিণ এচিয়াৰ বুৰঞ্জীত বিভাজনক কিয় সাংঘাতিক বৈশিষ্ট্যপূৰ্ণ বুলি চিহ্নিত কৰিছে?

DailyAssam.Com



## তলত দিয়া প্ৰশ্নবোৰৰ ২৫০-৩০০ শব্দৰ ভিতৰত চমু ৰচনা লিখা

6. বৃটিছ ভাৰত কিয় বিভাজন কৰা হৈছিল?
7. বিভাজনৰ বিষয়ে মহিলাসকলৰ অভিজ্ঞতা কেনে আছিল?
8. বিভাজনৰ বিষয়ে কংগ্ৰেছে কিয় মত পৰিবৰ্ত্তন কৰিছিল?
9. মৌখিক বুৰঞ্জীৰ শক্তি আৰু সীমাবদ্ধতাৰ বিষয়ে পৰীক্ষা কৰা। কেনেকৈ মৌলিক বুৰঞ্জীৰ কৌশলসমূহে বিভাজন বুজাত সহায় কৰে?

## মানচিত্ৰৰ কাম

10. দক্ষিণ-এচিয়াৰ মানচিত্ৰ এখন আঁকি লৈ তাত কেবিনেট মিচনৰ প্ৰস্তাৱকেইটা A.B. আৰু C শাখাত চিহ্নিত কৰা। বৰ্ত্তমানৰ দক্ষিণ এচিয়াৰ ৰাজনৈতিক মানচিত্ৰতকৈ এই মানচিত্ৰখন কিহত বেলেগ দেখিছা?

## প্ৰকল্প (যিকোনো এটা বাছি লোৱা)

11. জাতিগত হিংসাই (ethnic violance) কেনেকৈ যুগোশ্লাভিয়াৰ বিভাজন আনিলে বিচাৰ কৰি উলিওৱা। এই অধ্যায়ত পঢ়া বিভাজনৰ সৈতে তুমি বিচাৰি উলিওৱা যুগোশ্লাভিয়াৰ বিভাজনক তুলনা কৰা।
12. তুমি বসবাস কৰা চহৰ, নগৰ, গাঁও অথবা যিকোনো ওচৰৰ ঠাইলৈ কোনোবা জাতি প্ৰব্ৰজন কৰিছিল নেকি, বিচাৰি উলিওৱা। (বিভাজনৰ সময়ত প্ৰব্ৰজন কৰা মানুহো তুমি থকা এলেকাত থাকিব পাৰে) তেনেদৰে অহা জাতিৰ সদস্যলোকৰ সাক্ষাৎকাৰ গ্ৰহণ কৰা আৰু তুমি কি পালা সেইখিনিৰে এটা সংক্ষিপ্ত টোকা লিখা। মানুহবিলাক কোন ঠাইৰ পৰা আহিছে, তেওঁলোকে কিয় নিজৰ ঠাই এৰিব লগা হ'ল আৰু তেওঁলোকৰ অভিজ্ঞতাৰ বিষয়ে বুজ লোৱা। এই প্ৰব্ৰজনৰ ফলস্বৰূপে ঠাইডোখৰত কি পৰিৱৰ্ত্তন ঘটিছে —বিচাৰি উলিওৱা।


যশোধৰা বাগছী আৰু শুভৰঞ্জন দাসগুপ্ত (eds) 2003.
*The Trauma and the Triumph; Gender and Partition in Eastern India.* Stree, Kolkata.

আলোক ভাল্লা (ed) 1994
*Stories about the Partition of India.*
*Vols I, II, III,* Indus (Haeper Collins). New Delhi.

উৰ্বশী বুটালিয়া, 1998
*The Other Side of Silence*
*Voices from the Partition of India*
Viking (Penguine Books), New Delhi

মুচীৰুল হাচান, (ed) 1996
*India's Partition*
Oxford University Press, New Delhi

গ্যানেন্দ্ৰ পাণ্ডে, 2001
*Remembering Partiton; Violance, Nationalism and History of India.*
Cambridge University Press, Cambridge.

অনিতা ইন্দৰ সিং, 2006
*The Partition of India*
National Book Trust, New Delhi.